Year of publication 1976

# শকুনিৰ প্ৰতিশোধ

গণেশ চন্দ্ৰ গগৈ

নবীন পুস্তকালয়
যোৰহাট-১ অসম

# শকুনিৰ প্ৰতিশোধ

(পৌৰাণিক নাটক)

Ratna Baruah
1976.

গনেশচন্দ্ৰ গগৈ

D.H.S.K. College, Dibrugarh
Accession No

Call No
890.542/GOG.

নবীন পুস্তকালয়
জে, বি, কলেজ ৰ'ড
যোৰহাট

প্ৰকাশক
শ্ৰীমোহন লাল লড়িয়া
নবীন পুস্তকালয়
যোৰহাট- ১

গ্ৰন্থ-স্বত্বাধিকাৰী
শ্ৰীতৰুণচন্দ্ৰ গগৈ বি-এ, বি-টি
তৰাজান, যোৰহাট- ১

৬ ষ্ঠ সংস্কৰণ
আগষ্ট, ১৯৭৬

মূল্য ২˙০০ টকা

ছপা :
ৰূপম প্ৰিণ্টাৰ্চ
যোৰহাট- ১

## নাটকৰ চৰিত্ৰাৱলী

—( পাণ্ডৱ পক্ষ )—

শ্ৰীকৃষ্ণ, যুধিষ্ঠিৰ, ভীম, অৰ্জ্জুন, সহদেৱ, দ্ৰৌপদী ।

—( কৌৰৱ পক্ষ )—

ধৃতৰাষ্ট্ৰ, দুৰ্য্যোধন, দুঃশাসন, কৰ্ণ, শকুনি,
শল্য, গান্ধাৰী, পদ্মা ।

বৰাগী

# শকুনিৰ প্ৰতিশোধ

### ১ম অঙ্ক

১ম দৃশ্য— শকুনি, বৰাগী, শল্য
২য় ,, — দ্ৰৌপদী, শ্ৰীকৃষ্ণ, অৰ্জ্জুন, ভীম ।
৩য় ,, — কৰ্ণ, পদ্মা ।
৪ৰ্থ ,, — দুৰ্য্যোধন, শকুনি, দুঃশাসন, কৰ্ণ ।
৫ম ,, — বৰাগী
৬ষ্ঠ ,, — ধৃতৰাষ্ট্ৰ, গান্ধাৰী, দুৰ্য্যোধন ।

### ২ য় অঙ্ক

১ম দৃশ্য— যুধিষ্ঠিৰ, সহদেৱ, ভীম, অৰ্জ্জুন, শ্ৰীকৃষ্ণ
২য় ,, — কৰ্ণ, দুঃশাসন, দুৰ্য্যোধন, শল্য, শকুনি
৩য় ,, — ভীম, কৰ্ণ দুঃশাসন, শকুনি যুধিষ্ঠিৰ।
৪ৰ্থ ,, — দ্ৰৌপদী, অৰ্জ্জুন, যুধিষ্ঠিৰ, শ্ৰীকৃষ্ণ।
৫ম ,, — শকুনি, দুঃশাসন, ভীম ।
৬ষ্ঠ ,, — ভীম, দ্ৰৌপদী ।
৭ম ,, — কৰ্ণ, শ্ৰীকৃষ্ণ, অৰ্জ্জুন ।

### ৩য় অঙ্ক

১ম দৃশ্য — ধৃতৰাষ্ট্ৰ, দুৰ্য্যোধন, গান্ধাৰী।
২য় ,, — শ্ৰীকৃষ্ণ, শকুনি ।
৩য় ,, — বৰাগী ।
৪ৰ্থ ,, — শল্য, শকুনি, যুধিষ্ঠিৰ সহদেৱ ।

স্বৰ্গীয় গণেশচন্দ্ৰ গগৈৰ

# চমু জীৱনী

জন্মৰ লগতে মৃত্যুও আছে ; জন্মৰ দৰেই মৃত্যুও প্ৰকৃতিৰ স্বাভাবিক কথা। কিন্তু জীৱনৰ ভৰ বয়সতে যেতিয়া কোনোজনে এই জগতৰ পৰা বিদায় লয় তেনে অৱস্থাত সেই বিয়োগ সঁচাকৈয়ে সকলোলৈকে সহিব নোৱাৰা বেজাৰৰ কথা হয়। তাতে যদি সেইজন গুণী আৰু দেশে আৰু দহে তেওঁৰ ওপৰত ভবিষ্যতলৈ কিবা আশা ৰাখিব পৰা হয়, তেনেহলে তেনেজনৰ মৃত্যুত মনে প্ৰবোধ মানিব নোখোজে। স্বৰ্গীয় গনেশচন্দ্ৰ গগৈৰ মৃত্যু সেইবাবেই আমাৰ ইমান নিদাৰুণ দুখৰ বিষয়।

গগৈদেউ ৺কনকচন্দ্ৰ গগৈ ই-এ-চি আৰু শ্ৰীযুতা কনকা গগৈ ডাঙৰীয়ানীৰ জ্যেষ্ঠ পুত্ৰ। আহোম ৰাজ্যৰ শেষ সিংহপুৰুষ পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ বংশধৰ, স্বৰ্গীয় লোকেশ্বৰ সিংহ বুঢ়াগোহাঞি ডাঙৰীয়া গগৈদেউৰ মাতামহ। গগৈদেউৰ পিতাদেৱেক অতি সৰল আৰু অমায়িক স্বভাৱৰ লোক আছিল। পিতাদেৱকৰ সৰলতা, মাতামহৰ উদাৰ মতি আৰু সদবংশৰ, সুগুণৰ অধিকাৰী হৈ গগৈদেৱে জন্ম লৈছিল। স্কুলত গগৈদেউ নিয়মীয়া ছাত্ৰ আছিল আৰু পঢ়া-শুনাত ক'তো একো বাধা পোৱা নাছিল। ইং ১৯২৬ চনত তেওঁ মেট্ৰিকুলেচন পৰীক্ষাত

উত্তীর্ণ হৈ উচ্চ শিক্ষাৰ বাবে গুৱাহাটীৰ কটন কলেজলৈ যায়। গুৱাহাটীত কিছুদিন থকাৰ পাচত তেওঁ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত শিক্ষা লবৰ মন কৰি বেনাৰসলৈ যায়। তালৈ যোৱাৰ কিছুদিনৰ পাচত, কিবা বিশেষ কাৰণত গগৈদেউ এবাৰ ঘৰলৈ আহিবলগাত পৰে আৰু ঘৰলৈ অহাৰ পাচত তেওঁৰ পিতৃ বিয়োগ ঘটে। পিতাদেৱকৰ মৃত্যুৰ পাচত তেওঁ শিক্ষা সমাপ্ত কৰিবলৈ পুনৰ বেনাৰসলৈ ঘূৰি যাব নোৱাৰি ঘৰতে থাকিবলগীয়া হয়।

পাঠ্যকালৰে পৰা গগৈদেউৰ সাহিত্যৰ প্ৰতি বিশেষ ৰাপ দেখা পোৱা যায়। সেই সময়ৰ পৰাই তেওঁৰ কবিতা, সৰু গল্প আৰু দুই-এটা গীতি কবিতা সময়ে সময়ে কাগজে-পত্ৰই প্ৰকাশ হৈছিল। কবিতাৰ প্ৰতি তেওঁৰ বিশেষ প্ৰীতি আছিল। আৰু সেই ক্ষেত্ৰত গগৈদেৱে বিশেষ ক্ষমতা লাভ কৰিছিল বুলিও ক'ব পাৰি। ৺গগৈদেউৰ প্ৰণীত 'পাপৰি'তে কবিতা বিভাগত তেওঁৰ কিমান অধিকাৰ জন্মিছিল তাৰ ভালকৈ পৰিচয় পোৱা যায়। কবিতাৰ পাচতে নাট্য-সাহিত্য তেওঁ ভাল পাইছিল। আৰু নাটক ৰচনাতো তেওঁ এজন ভাল লিখক বুলি নিঃসন্দেহ ক'ব পাৰি। নাট্যকাৰ স্বৰূপে তেওঁ যি পৰিমাণে কৃতকাৰ্য্য হৈছিল অভিনেতা স্বৰূপে সেই পৰিমাণেই তেওঁ দক্ষতা লাভ কৰিছিল। গগৈদেউ এজন উত্তম শ্ৰেণীৰ অভিনেতা আছিল। অলপ লিখিলেই বহুত কথা আবৰিব পৰা আৰু বুজাব পৰাৰ ক্ষমতাও গগৈদেৱৰ ভাল ৰকমে আছিল। 'লাচিত,' 'জেৰেঙাৰ সতী' আদি গ্ৰেমফনত দিয়া তেওঁৰ নাটিকা কিখনৰ ৰচনাৰ প্ৰণালীলৈ মন কৰিলেই এই কথাৰ প্ৰমাণ পোৱা যায়। তাৰ উপৰিও গ্ৰেমফনৰ ৰেকৰ্ডত সেই নাটিকা কিখন শুনিলে ৺গগৈদেৱে

যে শ্ৰব্য অভিনয়ৰ বিষয়েও কিছু কথা নিপুণভাৱে জানিছিল তাকো সহজে বুজিব পাৰি।

সাহিত্য আদি ললিত কলাত প্ৰীতি থকা লোকসকলৰ ক্ৰিয়া-কৌতুক, খেল-ধেমালি আদিলৈ বৰকৈ অনুৰাগ থকা প্ৰায় দেখা নেযায়। কিন্তু এইবোৰৰ বিষয়েও গগৈদেউৰ যথেষ্ট ৰাপ আছিল। ক্ৰিকেট, ফুটবল আৰু আমাৰ ইয়াত চলন্তি থকা প্ৰায় সকলো বিধৰ খেলকে তেওঁ ভালকৈ খেলিব পাৰিছিল। খেলোতাসকলে তেওঁক উত্তম শ্ৰেণীৰ খেলুৱৈ বুলি নিতৌ লেখত ধৰিছিল। গগৈদেউৰ খেলা দেখি সন্তুষ্ট হৈ অসমৰ গৱৰ্ণৰ বাহাদুৰেও তেওঁক এবাৰ বিশেষ প্ৰশংসা কৰি গৈছিল। ইয়াৰ উপৰিও তেওঁ এজন চিকাৰৰ কৌশল জনা-বুজা চিকাৰী আছিল। চিকাৰ কৰিবলৈ তেওঁ ভাল পাইছিল।

ওপৰত উল্লেখ কৰি অহা বিষয়বোৰত গগৈদেউ যি প্ৰকাৰে জনপ্ৰিয় আছিল তেওঁৰ সাহচৰ্য্যতো অইনে সেইদৰেই আনন্দ পাইছিল। কথা-বাৰ্ত্তাত তেওঁ সুৰুচিৰ পৰিচয় দিছিল আৰু তেওঁ এজন সুৰসিক লোক আছিল। সদালাপি হ'বলৈ হ'লে মানুহ সুৰসিকো হ'ব লাগে, ৰসিকতা গুণ গগৈদেউৰ পূৰ্ণ মাত্ৰাৰে আছিল। তেওঁৰ খুহুতীয়া কথা শুনি একো একো সময়ত মানুহে হাঁহি সামৰিবলৈ টান পাইছিল। তেওঁৰ ৰচনা-বোৰতো এই গুণটিৰ বিশেষৰূপে পৰিচয় পোৱা যায়।

সকলো ঠাইতে প্ৰত্যেক বিভাগৰ কৃতবিদ্য প্ৰবীণসকল থাকে; আমাৰ ইয়াতো আছে। সেই সকলৰ জ্যোতিৰ আগত তৰুণৰ প্ৰভা ফুটি ওলাবলৈ কিছু সময় লাগে। আমাৰে দুৰ্ভাগ্য তৰুণ গনেশচন্দ্ৰ গগৈৰ সুগুণৰ জেউতি দেশবাসীসকলৰ আগত

উত্তীর্ণ হৈ উচ্চ শিক্ষাৰ বাবে গুৱাহাটীৰ কটন কলেজলৈ যায়। গুৱাহাটীত কিছুদিন থকাৰ পাচত তেওঁ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত শিক্ষা লবৰ মন কৰি বেনাৰসলৈ যায়। তালৈ যোৱাৰ কিছুদিনৰ পাচত, কিবা বিশেষ কাৰণত গগৈদেউ এবাৰ ঘৰলৈ আহিবলগাত পৰে আৰু ঘৰলৈ অহাৰ পাচত তেওঁৰ পিতৃ বিয়োগ ঘটে। পিতাদেৱকৰ মৃত্যুৰ পাচত তেওঁ শিক্ষা সমাপ্ত কৰিবলৈ পুনৰ বেনাৰসলৈ ঘূৰি যাব নোৱাৰি ঘৰতে থাকিবলগীয়া হয়।

পাঠ্যকালৰে পৰা গগৈদেউৰ সাহিত্যৰ প্ৰতি বিশেষ ৰাপ দেখা পোৱা যায়। সেই সময়ৰ পৰাই তেওঁৰ কবিতা, সৰু গল্প আৰু দুই-এটা গীতি কবিতা সময়ে সময়ে কাগজে-পত্ৰই প্ৰকাশ হৈছিল। কবিতাৰ প্ৰতি তেওঁৰ বিশেষ প্ৰীতি আছিল। আৰু সেই ক্ষেত্ৰত গগৈদেৱে বিশেষ ক্ষমতা লাভ কৰিছিল বুলিও ক'ব পাৰি। ৺গগৈদেউৰ প্ৰণীত 'পাপৰি'তে কবিতা বিভাগত তেওঁৰ কিমান অধিকাৰ জন্মিছিল তাৰ ভালকৈ পৰিচয় পোৱা যায়। কবিতাৰ পাচতে নাট্য-সাহিত্য তেওঁ ভাল পাইছিল। আৰু নাটক ৰচনাতো তেওঁ এজন ভাল লিখক বুলি নিঃসন্দেহ ক'ব পাৰি। নাট্যকাৰ স্বৰূপে তেওঁ যি পৰিমাণে কৃতকাৰ্য্য হৈছিল অভিনেতা স্বৰূপে সেই পৰিমাণেই তেওঁ দক্ষতা লাভ কৰিছিল। গগৈদেউ এজন উত্তম শ্ৰেণীৰ অভিনেতা আছিল। অলপ লিখিলেই বহুত কথা আবৰিব পৰা আৰু বুজাব পৰাৰ ক্ষমতাও গগৈদেৱৰ ভাল ৰকমে আছিল। 'লাচিত,' 'জেৰেঙাৰ সতী' আদি গ্ৰেমফনত দিয়া তেওঁৰ নাটিকা কিখনৰ ৰচনাৰ প্ৰণালীলৈ মন কৰিলেই এই কথাৰ প্ৰমাণ পোৱা যায়। তাৰ উপৰিও গ্ৰেমফনৰ ৰেকৰ্ডত সেই নাটিকা কিখন শুনিলে ৺গগৈদেৱে

পূৰ্ণভাৱে ফুটি ওলাবলৈ নৌ পাওঁতেই এই জগতৰ পৰা তেওঁ আঁতৰিব লগীয়া হ'ল। চিকাৰী, খেলুৱৈ, ৰসিক, অভিনেতা, নাট্যকাৰ কবি গণেশচন্দ্ৰ গগৈৰ লগত অসমীয়াই যি হেৰুৱালে তাৰ পৰিমাণ বহুত। গগৈদেউৰ সেই অপূৰ্ণ আসনখনি ভবিষ্যতে কেতিয়াবা পূৰ্ণ হ'বনে, বা হ'লে কেতিয়া হ'ব সেই কথা কোৱা বৰ কঠিন।

ভগৱানে তেওঁৰ মুক্ত আত্মাক যেন চিৰ শান্তি দান কৰে।

যোৰহাট

২৯।৯।৩৯

শ্ৰীকৰুণাধৰ বৰুৱা।

# শকুনিৰ প্ৰতিশোধ

## প্ৰথম অঙ্ক

### ১ম দৃশ্য ঃ— যুদ্ধ ক্ষেত্ৰৰ অদূৰ প্ৰান্তৰ।

[ সময় অপৰাহ্ণ ; ক্ষুধার্ত্ত বাঘৰ দৰে লোলুপ দৃষ্টিৰে শকুনিৰ প্ৰৱেশ ]

শকুনি—ইমান চেষ্টা কি অথলে যাব পাৰে? ইমান পাপ কি পৃথিবীয়ে সহ্য কৰিব পাৰে? মোৰ আজন্ম সাধনৰ সফলতা সৌ অদূৰত। দুৰ্য্যোধন, তুমি ৰাজৰাজেশ্বৰ আৰু মই দীনহীন অন্নসেৱী। তুমি শত জীৱিত ভ্ৰাতাৰ জ্যেষ্ঠ, আৰু মই শত প্ৰেতাত্মাৰ কনিষ্ঠ? তোমাতে মোতে ইমান প্ৰভেদ; অথচ ইমান আপোন! তুমি মোৰ মৰমৰ ভাগিন, আৰু মই তোমাৰ বুদ্ধিদাতা চেনেহৰ মাতুল! [ক্ৰুধ দৃষ্টিৰে চাই] আৰু বেচিপৰ নাই! দিগন্ত প্ৰসাৰি লহ-লহ জিহ্বা মেলি অগ্নি জ্বলি উঠিছে; এটি দুটি কৰি পতঙ্গ জাপ দিছে! কাৰো সাধ্য নাই তাক নিবাৰণ কৰে; কাৰো সাধ্য নাই তাক নিৰ্ব্বাপিত কৰে!

[ গীত গাই গাই এটা বৰাগীৰ প্ৰবেশ আৰু গীতৰ এটা কলি গাই প্ৰস্থান ]

[ বৰাগীৰ গীত ]

নভ জল স্থল কৰি বিমোহন
বাজে কিনো গীতি ধীৰে ধীৰে ধীৰে,

চিৰ অভিনৱ উঠে অবিৰাম
অসীম বিয়পি ধীৰে ধীৰে ধীৰে।
ৰবি শশী তৰা হয় জ্যোতি-হৰা
নিখিল ভুবন আপোন পাহৰা
কালে ভোল যায়, সীমা পৰে ধৰা
শুনি সেই গীত, ধীৰে ধীৰে ধীৰে।
বিশ্ব-জগতে বিভোল চিতেৰে
প্ৰকাশ বিকাশ লয়ৰ তালেৰে
নিতে নৱ নৱ মহিমা বিতৰে
নিয়তি গীতিৰ ধীৰে ধীৰে ধীৰে। [ মালঞ্চ ]

শকুনি—মূৰ্খ মানৱ, তেজৰ ঢৌ উঠিছে আৰু তই গীতৰ ৰাগিনী তুলিছ? মৃত্যুৱে মুখ মেলি খেদি আহিছে আৰু তই সঙ্গীতৰ সুধা ঢালিছ? নহয়, ঠিক কৰিছ! আনন্দ কৰ, আনন্দ কৰ! হস্তিনাপুৰ যায়, দুৰ্য্যোধন যায়, কুৰুকুল যায়! উৎসৱ কৰ — মহোৎসৱ কৰ— [ প্ৰস্থানোদ্যত ]

[ শল্যৰ প্ৰবেশ ]

শল্য —মামা, মামা, কিহৰ উৎসৱ?

শকুনি—যুদ্ধ জয়ৰ উৎসৱ।

শল্য —কি কৈছা মামা?

শকুনি—কৈছো, আজি দ্ৰোণাচাৰ্য্যই কৌৰৱৰ গৌৰৱ ৰক্ষা কৰিছে; পাণ্ডৱ বিভঙ্গে পালাইছে।

শল্য —দ্ৰোণাচাৰ্য্য আৰু নাই মামা! ধৃষ্টদ্যুম্নৰ হাতত নিহত; আমি পৰাজিত।

শকুনি—তুমি সুন্দৰ মিছা কথা ক'ব জানা শল্য।

শল্য —মিছা নহয় মামা, ই সত্য।

শকুনি—সত্য! অঁ্যা—ই কি শুনিলো দ্ৰোণাচাৰ্য্য হত! কৌৰৱ পৰাজিত! ই কি শুনিলো! অহ-হ-হ [ বহি পৰে ]

শল্য —বেজাৰ কৰিলে আৰু কি হ'ব?—

শকুনি—কি বেজাৰ কৰাৰ কথা কৈছা শল্য! আঁজি মোৰ বুকু ভাগি গ'ল! চকুৰ আগত অন্ধকাৰ দেখিছোঁ! মোক কি শুনালাহি শল্য, মোক কি শুনালাহি?

শল্য —ধৈৰ্য্য নেহেৰুৱাবা মামা! তুমি অধৈৰ্য্য হ'লে দুৰ্য্যোধনক কোনে শান্তনা দিব!

শকুনি—[ বহাৰ পৰা উঠি ] ঠিক কৈছা শল্য, মই অধৈৰ্য্য হোৱা অনুচিত। এতিয়াও সময় আছে, এতিয়াও আমাৰ শক্তিসামৰ্থ্য আছে। [ ভাৱি ] মই এতিয়া বুজিব পাৰিছোঁ, এতিয়া বুজিব পাৰিছোঁ! ওঁ! ইয়াৰ ভিতৰত কথা আছে, কথা আছে! বাৰু যক। এইবাৰ তুমি সেনাপতি হব লাগিব। তুমি, পাণ্ডৱক মৰমৰ চকুৰে চোৱা ভীষ্ম আৰু প্ৰিয়শিষ্য অৰ্জ্জুনৰ গুৰু দ্ৰোণাচাৰ্য্য নোহোৱা। তুমি শল্য, তুমি পাৰিবা।

শল্য —এদিনৰ ভিতৰতে পাণ্ডৱক বিনাশ কৰি কৌৰৱৰ জয়ধ্বজা উৰাব পাৰো মামা! কিন্তু—

শকুনি—আৰু কিন্তু নাই। তুমি সেনাপতি হবই লাগিব। কাৰো বিশ্বাস নাই শল্য, কাৰো বিশ্বাস নাই। তুমি দুৰ্য্যোধনৰ মান ৰক্ষা কৰিব লাগিব। কোৱা, কৰিবা?

শল্য—[ বুকু ফিন্দাই ] কৰিম মামা। অতদিনে যুদ্ধৰ গতি নিৰীক্ষণ কৰি আহিছিলো. আৰু নকৰো। সেনাপতি হৈ শুনা মামা, পাণ্ডৱৰ নাম পৃথিবীৰ পৰা মচি পেলাম।

শকুনি—তুমি পাৰিবা, তুমি পাৰিবা, তুমি পাৰিবা!

শল্য—কিন্তু কৰ্ণ? কৰ্ণক যদি মহাৰাজে সেনাপতি—

শকুনি—কৰ্ণক? কৰ্ণও আকৌ বীৰ? সেইবাবে কোনো চিন্তা নাই শল্য, আঁহা। [স্বগতঃ] মূৰ্খ, তয়ো পতঙ্গ, তয়ো যাবি।

[ দুইৰো প্ৰস্থান। বিপৰীত ফালৰ পৰা বৈৰাগী আহি আগেয়ে গোৱা গীতৰ বাকী অংশ গাই প্ৰস্থান কৰে। ]

—পট—

**২য় দৃশ্য ঃ—পাণ্ডৱ শিবিৰৰ ওচৰৰ কানন।**

[ এজোপা গছৰ তলত দ্ৰৌপদীয়ে গীত গাই থাকে। গীত শেষ নৌ হওঁতেই কৃষ্ণাৰ্জ্জুনক অহা দেখি প্ৰস্থান। বিপৰীত ফালৰ পৰা কথা পাতি কৃষ্ণ আৰু অৰ্জ্জুনৰ প্ৰৱেশ। ]

[ দ্ৰৌপদীৰ গীত ]

শেৱালীৰে মালা প্ৰিয় ৰচিছিলা কিহলৈ,
জৰিল আজলী পাহি ৰেণু উৰি উৰি গৈ।

নিৰুপমা নিমগনা
সপোন সুষমা সনা
মৰহিলে কবিতাৰ মাধুৰীমা আজি ঐ।
আলসুৱা অনুগতা
নিমাতী লাজুকী লতা
আঁহো বুলি নাহি প্ৰিয়, গলা কিয় দূৰলৈ ?
মাধবী জোনালী নিশা
ৰূপোৱালী ৰূপ শিখা
ঢাকিব বিৰহী মেঘে জানিবানো কেনেকৈ !

অৰ্জ্জুন—বনবাসেই ভাল, যদুপতি।

কৃষ্ণ —সচাঁকৈয়ে ভাল। সংসাৰীৰ ভোগ-বিলাসৰ প্ৰাধান্য বনত নাই, ৰাজত্বৰ বিষম চিন্তাই মস্তিক উদভ্ৰান্ত নকৰে, বনত সদায় শান্তি আৰু সেই কাৰণেই শান্তিকামী মুনি-ঋষিসকলে নগৰত আশ্ৰম নেপাতি বনতেই পাতে সখা।

অৰ্জ্জুন—তেন্তে আত্মীয়-স্বজন বিনাশ কৰি লাভ কি ?

কৃষ্ণ —একো লাভ নাই।

অৰ্জ্জুন—তেন্তে কুৰুক্ষেত্ৰ ৰণৰ ইয়াতেই সামৰণি পৰক।

কৃষ্ণ —কুৰুক্ষেত্ৰ সমৰৰ সামৰণি কুৰু-পাণ্ডৱে পেলাব নোৱাৰে সখা।

অৰ্জ্জুন—কিয় ?

কৃষ্ণ —বোধ কৰো ধৰ্ম্মৰ বাবে।

অৰ্জ্জুন—ইয়াত ধৰ্ম্মৰ কথা কি আছে যদুপতি ! ই এটা হত্যা, বংশ নাশ, এটা বিৰাট ধ্বংস।

কৃষ্ণ —এটা বিৰাট ধ্বংসৰেই প্ৰয়োজন হৈছে সখা, ধৰ্ম্মৰ মৰ্য্যদা ৰক্ষা কৰিবলৈ।

অৰ্জ্জুন—পিতামহক হত্যা কৰা, গুৰুক হত্যা কৰা, দুৰ্ব্বল নিৰীহ প্ৰাণীক হত্যা কৰা কি ধৰ্ম্ম যদুপতি ?

কৃষ্ণ —প্ৰকাশ্য ৰাজসভাত সতাক বিবস্ত্ৰা কৰা, বালকক সপ্তৰথীয়ে নৃশংসভাৱে বধ কৰা, কি ধৰ্ম্ম ফাল্গুনী ?

অৰ্জ্জুন—হে মাধৱ,
উত্তেজিত নকৰিবা আৰু !

[ভীমৰ প্ৰবেশ]

ভীম —উত্তেজনা নহয় অৰ্জ্জুন,
চিৰ লক্ষ্য ব্ৰত মোৰ শত্ৰু বিনাশন।

অৰ্জ্জুন—দাদা, ক্ষান্ত হোৱাঁ।
ৰাঙ্গলী কৰিছো হাত
পিতামহ ভীষ্মৰ তেজেৰে,
ৰাঙ্গলী কৰিছো হাত
শিক্ষাদাতা, দীক্ষাদাতা
গুৰুৰ তেজেৰে,
আৰু কিয় দাদা !

ভীম —ভাবিবলৈ দিয়া অৰ্জ্জুন !

[ভাৱে]

অৰ্জ্জুন—ভাবি চোৱাঁ,

এশটা ভ্ৰাতৃৰ মাথো আছে দুটি বাকী।
সেই ভাতৃ শোণিতত ৰাজসিংহাসন,
আত্মীয়ৰ শ্মশানত
সাম্ৰাজ্য স্থাপন কৰি
কিয় ডুবু নৰকত?
কিয় হেৰুৱাও
ইহকাল পৰকাল, বংশ শেষ কৰি?

কৃষ্ণ—সখাই কোৱা কথাও বৰ মিছা নহয় বৃকোদৰ। ভাই-ককাইতকৈ ৰাজ্য-ৰাজপাট ডাঙৰ নহয়।

ভীম—কেতিয়াও নহয়।

কৃষ্ণ—কিন্তু সেই ভাই-ককায়েই অচিনাকি সূতপুত্ৰঃ কৰ্ণক অযাচিতে অঙ্গদেশ দান কৰিব পাৰিলে, পাণ্ডৱৰ নামত হ'লে পাঁচখন গাৱোঁ নাহিল।

ভীম—উন্মাদ নকৰিবা কৃষ্ণ।

কৃষ্ণ—উন্মাদ কৰা　　　বৃকোদৰ; কিন্তু এতিয়াও প্ৰতিজ্ঞা বাকী। ক্ষত্ৰিয়ৰ প্ৰতিজ্ঞা, বৃকোদৰৰ প্ৰতিজ্ঞা, গাণ্ডীৱধাৰী অৰ্জ্জুনৰ প্ৰতিজ্ঞা এতিয়াও বাকী! কুৰুসভাত উৰু দেখুৱা দুৰ্য্যোধনৰ আজিও অক্ষতদেহ, পাঞ্চালী আজিও মুক্ত-কেশী, দুঃশাসন আৰু দাম্ভিক কৰ্ণ আজিও জীৱিত?

[ বেগেৰে প্ৰস্থান ]

অৰ্জ্জুন—সখা, সখা,　　　[ প্ৰস্থান ]

ভীম—অৰ্জ্জুন, অৰ্জ্জুন
যুক্তিতৰ্ক, ধৰ্ম্মাধৰ্ম্ম যক বসাহলে।
প্ৰতিজ্ঞা পালন মোৰ
জীৱনৰ ব্ৰত। [ প্ৰস্থান ]

—পট—

৩য় দৃশ্য. কৰ্ণৰ প্ৰাসাদ কক্ষ
[ চঞ্চল হৈ কৰ্ণৰ প্ৰবেশ ]

কৰ্ণ—পদ্মা—পদ্মা—পদ্মা— [ পদ্মাৰ প্ৰবেশ ]

পদ্মা—নাথ—

কৰ্ণ—[ ওচৰ চাপি ] 'জীৱন ৰহস্য মোৰ শুনিবি অভাগি ?'

পদ্মা—কি কৈছে প্ৰিয়তম ? একো বুজিব পৰা নাই। আপুনি চঞ্চল হৈছে কিয় ?

কৰ্ণ—চঞ্চল নহওঁ প্ৰিয়ে,
ধীৰ, স্থিৰ আজি মই
অচল, অটল।
—জানা কোন মই ?

পদ্মা—জানো, আপুনি মোৰ স্বামী, মোৰ গুৰু; আপুনিয়েই মোৰ দেৱতাৰো দেৱতা।

কৰ্ণ—আৰু কি জানা ?

পদ্মা—আৰু প্ৰভু জানিবৰ
নাই প্ৰয়োজন।

কৰ্ণ—শুনা প্ৰিয়ে,
সূতপুত্ৰ মই—
পদ্মা—জানো প্ৰিয়তম—
কৰ্ণ—নেজানা, নেজানা ?
সূতপুত্ৰ মই আছিলো এদিন।
কিন্তু, আজি হ'লো,
কুন্তী পুত্ৰ, জ্যেষ্ঠ পাণ্ডৱৰ।
পদ্মা—উপহাস নকৰিব প্ৰভু।
কৰ্ণ—উপহাস! উপহাস নোহে পদ্মা,
মাতা আহি,
নিজ মুখে, যমুনা তীৰত,
কই গ'ল আজি প্ৰভাতত,
"ৰাধাৰ নন্দন তুমি
নহয়, নহয়;
জ্যেষ্ঠ পুত্ৰ তুমি মোৰ, প্ৰথম তনয়।"
পদ্মা—দয়াময়,
তোমাৰ অনন্ত লীলা, অপাৰ কৰুণা।
কৰ্ণ—কৰুণা নহয় প্ৰিয়ে,
ই যে প্ৰতাৰণা,
নহলেনো,
ব্যৰ্থ কৰি জীৱনৰ সোণালী গৰিমা,
শিৰ পাতি লৈ লৈ ঋষি অভিশাপ,

ই

অন্তিমৰ যৱনিকা পৰাৰ আগতে
জানিলোহেতেন কিয়,
ৰাজৰাজেশ্বৰী কুন্তী মাতৃ বুলি মোৰ ?

[ পদ্মাই কৰ্ণৰ মুখলৈ চাই থাকে ]

স্বাৰ্থপৰ, স্বাৰ্থপৰ,
সমগ্ৰ পৃথিবী মাথো
স্বাৰ্থৰ আকৰ।

পদ্মা—প্ৰিয়তম

কৰ্ণ—শুনা পদ্মা,
কলঙ্ক কালিমা সানি
শৈশৱৰে পৰা
সহিলো যাতনা কত,
কত অপমান,
ক'তা, তেতিয়াতো জননীৰ
নেকান্দিলে প্ৰাণ !
হীন কুলোদ্ভৱ বুলি
আচাৰ্য্য দ্ৰোণই,
অস্ত্ৰ শিক্ষা নিদিলে ঘৃণাত,
দ্ৰৌপদীৰ সয়ম্বৰ দিনা,
নীচ বুলি, হীন বুলি,
দ্ৰোপদ বালাই,
কৰিছিলে কত অপমান,

স্নূতক নকৰো বুলি
বৰ মাল্য দান।
ক'তা, তেতিয়াতো জননীৰ
নেকান্দিলে প্ৰাণ !
আজি—

পদ্মা—অতীতৰ নিকৰুণ,
নিদাৰুণ কথা
নুশুনাব আৰু প্ৰভু।
নোৱাৰো বুজিব
গোপনে আছিল কিয়
আজি অতকাল,
আপোনাৰ জীৱন ৰহস্য।

কৰ্ণ—ৰহস্যৰ বাবে পদ্মা,
জীৱন ৰহস্য মোৰ
গোপনে আছিল।

পদ্মা—কি ৰহস্য ?

কৰ্ণ—কুমাৰী আছিল মোৰ
জননী যেতিয়া,
আদিত্য তেজত,
দেখা পালে তেতিয়াই
কৰ্ণক তোমাৰ।
কলঙ্কৰ চেকা ধুই নিকা কৰিবৰ

উপায় আছিল মাথো,
নিঃসহায়, নিৰ্দ্দোষী শিশুক
জ্ঞান কৰি মাটিৰ পুতলা,
অকাতৰে, অম্লান বদনে,
নদীৰ গৰ্ভত প্ৰিয়ে,
বিসৰ্জ্জন দিয়া !

পদ্মা—বিসৰ্জ্জিলে নদীৰ গৰ্ভত !

কৰ্ণ—নিদিব ? নহলে যে নেথাকে নাৰী
সতীৰ মহিমা

পদ্মা—গৰ্ভজাত সন্তানক
কোন সতে চেনেহী মাতৃয়ে—

কৰ্ণ—ক্ষান্ত হোৱা পদ্মা,
তথাপি জননী মোৰ
আৰাধ্যা জননী।

পদ্মা—এতিয়া কি কৰিব প্ৰিয়তম ?

কৰ্ণ—নেলাগে ৰাজত্ব মোক,
নেলাগে জ্যেষ্ঠতা
সূত আখ্যা জীৱনৰ
শ্ৰেষ্ঠ পদ মোৰ'
হওক পাণ্ডৱ মোৰ নিজ সহোদৰ,
হওক জননী কুন্তী,
তথাপিও,

বিফল নহব প্ৰিয়ে,
যৌৱনৰ পণ,
সখা মোৰ, ভ্ৰাতা মোৰ
মাথো দুৰ্য্যোধন।

—পট—

## ৪ৰ্থ দৃশ্য কৌৰৱ শিবিৰৰ মন্ত্ৰণা কক্ষ

[ বিষণ্ণ মনেৰে দুৰ্য্যোধন আৰু পাচে পাচে শকুনি আৰু দুঃশাসনৰ প্ৰবেশ ]

শকুনি—মন মাৰি থাকিলে আৰু হ'ব কি ? ভীষ্ম, দ্ৰোণ যদিও বীৰ আছিল, পক্ষপাতী আছিল। নহলেনো ভীষ্ম হেন বীৰে দহ দিন আৰু দ্ৰোণাচাৰ্য্যই মাত্ৰ পাঁচ দিন যুদ্ধ কৰিয়েই পুলকি পৰেনে ? গ'ল গ'ল ভালেই হ'ল। শৌৰ্য্য বীৰ্য্যত কুৰুকুল এতিয়াও হীন হোৱা নাই। অন্য এজনক সেনাপতি পাতি যুদ্ধ চলোৱা। বহি নাথাকিবা দুৰ্য্যোধন, বহি নাথাকিবা।

দুৰ্য্যোধন—বহিবৰ সময় ক'ত মামা—
ভাবিছো মাত্ৰ ভাবিছো,
কি শক্তিত বলীয়ান
পাণ্ডৱ সেনানী,
কি শক্তিত বলীয়ান

হই ধনঞ্জয়ে,
পাৰিছে নাশিব মোৰ
বিপুল বাহিনী ।

দুঃশাসন—ইয়াত শক্তিৰ কথা নাই দাদা, ই চক্ৰান্ত । চক্ৰান্ত-কাৰী কুট কলীয়া কৃষ্ণই শিখণ্ডীক অৰ্জ্জুনৰ ৰথত বহুৱাই পিতামহক বধ কৰালে আৰু " অশ্বত্থমা হত" বুলি অসত্য সংবাদ প্ৰচাৰ কৰোৱাই গুৰু-দেৱকো মৃত্যুৰ মুখত পেলালে

শকুনি—ঠিক কৈছা দুঃশাসন ভীষ্ম দ্ৰোণক বধ কৰিব পৰা শক্তি পাণ্ডৱৰ নাই। মাত্ৰ চক্ৰান্ত, চক্ৰান্ত !

দুৰ্য্যোধন—হওক চক্ৰান্ত; এইবাৰ তাক ব্যৰ্থ কৰিম । অঙ্গাধি-পতি কৰ্ণক সেনাপতি পদত বৰণ কৰি—

পৰীক্ষা কৰিম মামা,
পঞ্চ সহোদৰে ধৰে
শকতি কিমান ।
পৰীক্ষা কৰিম,
কূটনীতি, ষড়যন্ত্ৰ
কিমান শিকিলে সেই
ৰাখাল বালকে

শকুনি—কৰ্ণকো চিনা টান দুৰ্য্যোধন । তেৱেঁা যদি আকৌ সেনাপতি হৈ ইফাল সিফাল কৰে, তেতিয়া ?

[ কৰ্ণৰ প্ৰৱেশ ]

কৰ্ণ—তেতিয়া ? তেতিয়া কক্ষচ্যুত হব ভানু
মধ্যাহ্নৰ বেলা ।
মামা, এতিয়াও ম্লান নোহে।
ধৰ্ম্মৰ মহিমা
এতিয়াও পুণ্যৱতী
শ্যাম বসুন্ধৰা।
হ'বপাৰো সূতপুত্ৰ.
হ'ব পাৰো বিশ্বৰ অস্পৃশ্য,
কিন্তু,
বন্ধু বুলি সখা বুলি যাক
সাবটি ধৰিছো মামা
শত শত কুৰুক্ষেত্ৰ,
সহস্ৰ পাণ্ডৱ,
লক্ষ লক্ষ দৈৱকী নন্দনে,
নোৱাৰে চিণ্ডিব সেই
বন্ধুত্বৰ ডোল
নোৱাৰে চিণ্ডিব সেই
প্ৰীতিৰ বান্ধোন।

দুৰ্য্যোধন—সখা, সকলো জানো !
সেইহে তোমাকে আজি
সেনাপতি পদে
বিভুষিত কৰিব খুজিছো।
দুঃশাসন, ঘোষণ প্ৰচাৰ কৰা
কুৰু-বাহিনীত,

অতি শীঘ্ৰে ৰণ যাত্ৰা
কৰিব লাগিব ;
অঙ্গৰাজ হ'ব আহি
সেনাপতি নিজে।
—ভাই, ইবাৰ ৰণতো যদি,
পৰাজয় হব লগা আছে—

দুঃশা—অসম্ভৱ !
এইবাৰ ৰণজয় অনিবাৰ্য্য দাদা।
কৰ্ণ মহাৰথী যদি হয় সেনাপতি ;
সমৰত কৃষ্ণাৰ্জ্জুনে প্ৰমাদ গণিব।
আৰু ভীম ? তুচ্চ কথা
প্ৰকাশি বিক্ৰম মোৰ
ইবাৰ যুদ্ধত,
পৰিচয় দিম তাক
দুঃশাসন কোন !
"দুঃশাসন ৰক্তপান" প্ৰতিজ্ঞা ভীমৰ ?
হাঃ হাঃ হাঃ
মূৰ্খ বধ কৰি সামান্য ৰাক্ষস
পাৰ হলি সীমা তই
আপোন শক্তিৰ।
" দুঃশাসন ৰক্তপান ! "
হাঃ হাঃ হাঃ [ প্ৰস্থান

শকুনি—বোপা দুৰ্য্যোধন, মই এটা কথা ভাবিছো, এই কৃষ্ণটোক কেনেবাকৈ সিফালীয়া কৰি পঠিয়াব নোৱাৰিনে ? ইয়াক দিহা লগাব পাৰিলেই পাণ্ডবৰো বুদ্ধিৰ ভুৰুকা উদং, জানি থ'বা।

কৰ্ণ—মামা, অন্যায় যুদ্ধ এবাৰ কৰিলো ; আৰু নকৰো। অন্যায় যুদ্ধ কৰি অভিমন্যুক বধ কৰিলো। সেই হত্যাই শত্রু পক্ষৰ শক্তি ক্ষয় কৰিব নোৱাৰিলে, শত্রু পক্ষক শক্তি দান কৰিলে মাথোন্।

দুৰ্য্যো—সখা, শত্রু সদায় শত্রু। বলে-কৌশলে ন্যায়ে-অন্যায়ে সিহঁতক ধ্বংস কৰাই আমাৰ কৰ্ত্তব্য।

কৰ্ণ—অন্যায় সমৰ কৰি,
কুৰুক্ষেত্ৰ কলঙ্কিত
নকৰিবা সখা।
অন্যায় সমৰ কৰি,
শত্রুনাশ নোৱাৰা কৰিব !
প্ৰচণ্ড প্ৰতাপী যদি
ৰজা দুৰ্য্যোধনে,
লক্ষ লক্ষ সেনানীৰ সতে,
পঞ্চ ভাই পাণ্ডৱৰ,
সন্মুখীন হব খোজে
অন্যায় যুদ্ধত,
ধ্বংস হ'ব কুৰুকুল, এটি পলকতে।

দুৰ্য্যোধন—[ ভাবি ] সত্য কথা।
শৈশৱৰে পৰা,
উচ্ছেদ সাধিম বুলি
পঞ্চ পাণ্ডৱৰ,
কত চেষ্টা কৰি চালো,
তথাপি আজিও দেখো
পাণ্ডৱ জীৱিত।
নিৰ্ম্মানিলো জতু গৃহ,
প্ৰয়োগিলো হলাহল বিহ,
আৰু কত মৃত্যুপুৰী
কৰিলো ৰচনা,
—আঁতৰতে উৰি গ'ল
ষড়যন্ত্ৰ ঘোৰ।
সত্য কথা সখা,
ৰুদ্ৰ ৰূপ ধৰি মোৰ কুৰু বাহিনীয়ে,
কুৰুক্ষেত্ৰ সমৰত
কৰোক প্ৰৱেশ,
অন্যায়ৰ নাই প্ৰয়োজন।
শক্তিহীন নোহে দুৰ্য্যোধন
এতিয়াও বৰ্ত্তমান,
কৰ্ণ, দুঃশাসন! [ প্ৰস্থান ]
কৰ্ণ—ধ্ৰুব সত্য।

বীৰে মাথো ধৰ্ম্ম যুদ্ধ কৰি আৱাহন,
জয়ী হয় কিম্বা কৰে
মৃত্যু আলিঙ্গন। [প্ৰস্থান]

শকুনি—আজি ধৰ্ম্ম লাগে, পুণ্য লাগে, সকলো লাগে! অত দিন ক'ত আছিলা, দুৰ্য্যোধন কত আছিলা! পাশা খেলত ধৰ্ম্মলৈ মনত নপৰিল! ৰজস্বলা দ্ৰোপদীক বিবস্ত্ৰা কৰোতে ধৰ্ম্মলৈ মনত নপৰিল! মোৰ বৃদ্ধ পিতা, এটা এটাকৈ নিৰান্নবৈটা ভাতৃ অন্ধকাৰ কাৰাগাৰত, এমুঠি অন্নৰ কাৰণে হাঁহাকাৰ কৰি মৰিবৰ সময়ত ধৰ্ম্মলৈ মনত নপৰিল? আজি ধৰ্ম্ম লাগে! ধৰ্ম্ম লাগে! ধৰ্ম্ম লাগে! হাঃ হাঃ হাঃ। [ প্ৰস্থান ]

—পট—

**পঞ্চম দৃশ্য নিৰ্জ্জন পথ**

[ গীত গাই গাই বৰাগীৰ প্ৰবেশ ]

(গীত)

সকলো মায়াৰে খেলা
আগতো নেদেখি　　পাচতো নেদেখি
বুজিব নোৱাৰা লীলা।
নিতে ফুলে ফুল সুবাসেৰে ভৰা
পখী কুলে ধৰে গীতি সুধাজৰা
প্ৰীতি অনুৰাগ সকলো অসাৰ

সকলো মায়াৰে খেলা ।
ধন জন দেহা মিছা সকলোটি
মিছা সঁচা বুলি নবৰা সাৱটি
ৰাখা যতনৰে সঁচা নিধি যিটি
তৰোৱা নিদান বেলা । [ মালশ্ৰী ]

[ গীতৰ অন্তত বৰাগীৰ প্ৰস্থান]

—পট—

৬ষ্ঠ দৃশ্য ধৃতৰাষ্ট্ৰৰ কক্ষ

[ এখন শয্যাত ধৃতৰাষ্ট্ৰ বহি থাকে। ওচৰত থিয় হৈ গান্ধাৰী ]

ধৃতৰাষ্ট্ৰ—সি নুশুনে ৰাণী সি নুশুনে। মোৰ কথা সি নুশুনে।

গান্ধাৰী—কিয় নুশুনিব ? অভিমানী হ'লেও মোৰ দুৰ্য্যোধন অবিবেচক নহয়। আপুনি তাৰ পিতা, জন্মদাতা। সি আপোনাৰ কথা শুনিব মহাৰাজ।

ধৃত— আৰু তুমিও তাৰ মাতা। পুত্ৰই যদি পিতাৰ কথা শুনিব পাৰে, মাতাৰ কথাও নুশুনি নেথাকে গান্ধাৰী।

গান্ধাৰী—মই কিমান চেষ্টা কৰি চালো, কিমান বুজালো, কিমান অনুনয় বিনয় কৰিলো সকলো মিছা হ'ল।

ধৃত—আৰু মই বুজোৱা নাই ? মই তাক অনুৰোধ কৰিবলৈ বাকী ৰাখিছো ! কত দিন কাষত বহুৱাই কেচুৱা লবাৰ দৰে গাত হাত ফুৰাই কিমান বুজালো, দুৰ্য্যোধন

যুদ্ধ নকৰিবি, পাণ্ডৱ তোৰ পৰ নহয়। সি মুখ আমোলাই গুচি গ'ল ; মোৰ কথা নেৰাখিলে।

গান্ধাৰী—বিশ্বাস নহয় মহাৰাজ।

ধৃত— কি ? [ বিচনাৰ পৰা নামি ওচৰলৈ আহি ] কি বিশ্বাস নহয় গান্ধাৰী ?

গান্ধাৰী—আপোনাৰ কথা।

ধৃত— পুত্ৰ অবাধ্য। আৰু তুমিও দেখিছো ধৃতৰাষ্ট্ৰক জন্মান্ধ বুলি, বৃদ্ধ অপদাৰ্থ বুলি বিশ্বাস নকৰিবলৈ শিকিছা গান্ধাৰী

গান্ধাৰী—অভিনয় নকৰিব মহাৰাজ। এই কুৰুক্ষেত্ৰ ৰণৰ কাৰণে কৌৰৱৰ পিতা আপুনি, আপুনিয়েই বেচি দায়ী।

ধৃত— শাস্তি দিয়া ৰাণী। ৰাজৰাজেশ্বৰী তুমি, ৰাজমাতা তুমি, শাস্তি দিয়া।

গান্ধাৰী—আঠান্নবৈটা পুত্ৰৰ অকাল মৃত্যু দেখিও যাৰ বুকু নপমিল সেই কাঠচিতীয়া পুৰুষক, সেই কঠোৰ পাষাণক অৱলা নাৰীয়ে কি শাস্তি দিব মহাৰাজ ?

ধৃত—পুত্ৰশোকত জৰ্জ্জৰিত হবলৈ কৈছা ৰাণী ? হৈছোঁ, বহুত দিনৰ আগতে হৈছোঁ ! যি দিনা তুমি, তুমি কৰুণাময়ী জননীয়ে, নিজ গৰ্ভত ধাৰণ কৰা দেৱশিশুক গৰ্ভৰ ভিতৰতে লোৰ মুদ্গৰেৰে মৰিয়াই মৰিয়াই মাংসপিণ্ডত পৰিণত কৰিছিলা, সেই দিনাই সেই দিনাই জৰ্জ্জৰিত হৈছোঁ আজি আৰু অশ্ৰু টুকিবলৈ নাই ৰাণী ; অশ্ৰুনদী

বৈ বৈ শেষ হৈ গ'ল বুকুৰ চেনেহ নিজৰা শুকাই শুকাই শিলৰ তলি ওলাই পৰিল।

[ গান্ধাৰী খঙে-বেজাৰে তলমূৰ কৰি নিমাত ]

ধৃত— [ অলপ বৈ কোমল মাতেৰে ] গান্ধাৰী, গান্ধাৰী।

গান্ধাৰী—[ কঁপা মাতেৰে ] মহাৰাজ—

ধৃত—মতিভ্ৰষ্ট দুৰ্ব্বল বৃদ্ধ মই, অস্থিৰ মগজু। কিবা ক'ম বুলি কিবা কৈ পেলালো ; মোক ক্ষমা কৰা ৰাণী।

গান্ধাৰী—সৌৱা দুৰ্য্যোধন আহিছে।

ধৃত— আহিছে ? আহিছে ? ৰাণী ৰাণী মোৰ মূৰ ঘূৰাইছে, স্থিৰেৰে থাকিব পৰা নাই মোক শয্যালৈ নিয়া, শয্যালৈ নিয়া।

[ গান্ধাৰীয়ে ধৃতৰাষ্ট্ৰক বিচনাত শুৱাই অলপ আঁতৰত থিয় দি থাকে। দুৰ্য্যোধনে প্ৰবেশ কৰি গান্ধাৰীক সেৱা কৰে। পাচত ধৃতৰাষ্ট্ৰৰ ওচৰলৈ গৈ ভৰি দুই হাত লগায়। ধৃতৰাষ্ট্ৰ নিমাত নিতাল ]

দুৰ্য্যোধন—আই, মোক বোলে মাতি পঠিয়াইছিলা ?

গান্ধাৰী—মাতিছিলো দুৰ্য্যো।

দুৰ্য্যো— কোৱা, কিয় মতালা !

[ গান্ধাৰী নিমাত ]

দুৰ্য্যো— আই তোমাৰ কি হৈছে ? নেমাতা কিয় ?

গান্ধাৰী—একো হোৱা নাই।

দুৰ্য্যো— তেন্তে কোৰাঁ। কুৰুক্ষেত্ৰৰ পৰা তোমাৰ আদেশত লৰি আহিছো আই।

গান্ধাৰী—ক'ম, ক, তই শুনিবি ?

দুৰ্য্যো— কোন দিনা তোমাৰ অবাধ্য হৈছোঁ আই আই ?

গান্ধাৰী— তেন্তে এই যুদ্ধ পৰিত্যাগ কৰ। মোৰ সকলো গ'ল। মাত্ৰ তই আৰু দুঃশাসন আছ, এই যুদ্ধ পৰিত্যাগ কৰ বাচা।

দুৰ্য্যো— আই, আই কিয় সেই একেটা কথাকে ধৰি আছা ?

গান্ধাৰী—কিয় ধৰি আছো ! পুত্ৰশোক যে কি, কি বুজাম ! ভৰ বয়সতে এটা এটাকৈ দুটা কম এশ সন্তানে মোক এৰি গুচি গ'ল। সিহঁতে মোৰ বুকু ভৰাই আছিল। আজি সেই বুকু উদং হ'বলগীয়া হৈছে। আৰু কিমান সহ্য কৰিম ? দুৰ্য্যোধন, মোৰ কথা ৰাখ আৰু যুদ্ধ কৰিব নালাগে।

দুৰ্য্যো— হে জননী
পৰিহাৰ কৰিলে সমৰ
মৃত্যুৰ পুৰীৰ পৰা
আহিবনে কোৱা মোৰ
মৃত ভাতৃ ঘূৰি ?
পৰিহাৰ কৰিলে সমৰ
পাৰিমনে মচিব জননী
কপালৰ ভাগ্য ৰেখা বিধাতাই লিখা।

গান্ধাৰী—নোৱাৰে মচিব কেৱে
বিধিৰ বিধান।

সেই বুলি, আপোন ঘৰত
জ্বলিলে যি ভীষণ অগণি
আৰু তাক জ্বলিব নিদিবি ।

দুৰ্য্যো—যি অগ্নিয়ে,
দহন কৰিলে মোৰ ভ্ৰাতা চেনেহৰ
যি অগ্নিয়ে,
দহন কৰিলে মোৰ আত্মীয় স্বজন
সেই অগ্নি, জ্বলক জননী !
হয় যদি দগ্ধ হোক
চিৰ শত্ৰু মোৰ,
নতুবা নিজেই দেহি,
চাই ভষ্ম হই
উৰি উৰি, গুচি যাওঁ পৰ পাৰলই

গান্ধাৰী—মাতৃৰ আজ্ঞা লঙ্ঘন নকৰিবি পুত্ৰ ।

দুৰ্যো— সন্তানক অপৰাধী নকৰিবা মাতা।
জানো মই,
বেদবাণী তোমাৰ আদেশ ।
কিন্তু, কি কৰিম ?
মেলি দিলো তৰী মোৰ
মহা জলধিত,
নাহে ঘূৰি, নোৱাৰো ঘূৰাব,
যদ্যপি নেপায় মাতা

তাৰ লক্ষ্য তীব্ৰ।

গান্ধাৰী—পাঁচখন গাওঁ মাত্ৰ
খুজিছে পাণ্ডৱে,
তাকে দি নকৰ কিয়
সন্ধি এতিয়াও ?
দয়াশীল যুধিষ্ঠিৰ,
ভীমাৰ্জ্জুন নোহে অবুজন;
সাদৰে সন্মতি দিব
সন্ধি প্ৰস্তাৱত।

দুৰ্য্যো—সন্ধি ?
কৌৰৱৰ সন্ধি মাতা
পাণ্ডৱৰ সতে ?

গান্ধাৰী—কি ক্ষতি ?

দুৰ্য্যো—ক্ষতি একো নাই।
কিন্তু,
এই সন্ধিৰ কাৰণে,
যুদ্ধ আয়োজন মোৰ
নাছিল জননী।
এই সন্ধিৰ কাৰণে
লক্ষ লক্ষ বীৰে,
প্ৰাণৰ মমতা এৰি
এৰি প্ৰিয় জন,

নাই কৰা প্ৰাণ দান
উন্মাদৰ দৰে।
মাতা,
জন্ম মোৰ ক্ষত্ৰিয় কুলত;
বীৰ মই চন্দ্ৰবংশী,
ৰাজৰাজেশ্বৰ।
প্ৰাণৰ ভয়ত আজি
কাপুৰুষ হই
পাণ্ডৱৰ চৰণত প্ৰণিপাত কৰি,
সন্ধি ভিক্ষা নকৰোঁ, নকৰোঁ।
শুনা মাতা,
সন্মুখত তুমি মোৰ
আৰাধ্যা গোসানী,
কাষৰ শয্যাত সউ
জন্মদাতা পিতা মোৰ,
উপাস্য দেৱতা। (ধৃতৰাষ্ট্ৰ চক্ খাই উঠি বিচনাত বহে)
শুনা,
দুইৰো আঁগত পুনু
কৰোঁ নিবেদন,
যুদ্ধ ত্যেজি পাণ্ডৱক
সূচ্যাগ্ৰ মেদিনী,
প্ৰাণান্তেও নিদিওঁ নিদিওঁ।

হ'ব লগা আছে যদি,
সোণৰ হস্তিনা মোৰ
হো'ক চাৰখাৰ ;
দিব লাগে, যদি দিম,
ৰঙ্গা ৰক্ত গাৰ। (বেগেৰে প্ৰস্থানোদ্যত)

ধৃত—(গলগলীয়া মাতেৰে) পুত্ৰ।

দুৰ্য্যো—পিতা।

ধৃত—আশীৰ্ব্বাদ কৰোঁ বাচা
হোক যুদ্ধ জয় ;

দুৰ্য্যো—পিতৃ পদে মতি যেন
চিৰ দিন ৰয়।

গান্ধাৰী—(হঠাৎ মুখৰ পৰা ওলাল)
আৰু যদি হয় পৰাজয়?

দুৰ্য্যো—(প্ৰণাম কৰি মিচিকীয়া হাঁহিৰে)
তোমাৰ সন্তান মই,
নাই মৃত্যুভয়।

১ম অঙ্ক শেষ

## দ্বিতীয় অঙ্ক

### ১ম দৃশ্য—যুদ্ধ ক্ষেত্ৰৰ এফাল

[ যুধিষ্ঠিৰ আৰু সহদেৱৰ প্ৰবেশ ]

যুধিষ্ঠিৰ—ভাই, আজি আমাৰ যুদ্ধ জয় হৈছে যদিও ইয়াত নির্ভৰ কৰিব নোৱাৰি। কৰ্ণ অসীম প্ৰতাপী দুৰ্জ্জয় বীৰ। আজি ৰণত হাৰি গৈছে বুলিয়েই কৰ্ণৰ শক্তিত সন্দেহ কৰিলে ভুল কৰা হব।

সহদেৱ—যিমানেই ডাঙৰ বীৰ হওক, কৌৰৱৰ যিমানেই শক্তি থাকক শেষ ফল আমাৰেই শুভ হ'ব বুলি মোৰ ধাৰণা দাদা।

যুধি—সেই ধাৰণাকে মনত লৈ ময়ো যুদ্ধ আহ্বান কৰিছিলো ভাই। কিন্তু দুখ লাগে, মাজে মাজে অনুতাপ হয়, নিজৰ বংশ নাশ কৰি কি কৰিছো।

সহ—পাপৰ প্ৰায়শ্চিত্ত, দোষৰ শাস্তি আছেই। তাত বেজাৰৰ কথা কি আছে দাদা?

যুধি—দুৰ্য্যোধনৰ বাহিৰে কোনেও সিমান দোষ বা পাপ কৰা নাই সহদেৱ, যদি কৰিছেও, ৰজাৰ আজ্ঞাত কৰিছে। ৰজাৰ ধৰ্ম্মকে নিজ ধৰ্ম্ম বুলি প্ৰজা স্বৰূপে কৰিছে।

সহ—অধৰ্ম্মী ৰজাৰ পাপ কাৰ্য্য কোনো জ্ঞানী আৰু ধাৰ্ম্মিক লোকে অনুমোদন কৰিব নোৱাৰে দাদা।

যুধি—আংশিক সঁচা।

সহ—কুট মন্ত্ৰণাকাৰী শকুনি এই বিবাদৰ গুৰি, এই যুদ্ধৰ পুৰুহিত। অভিমানী দুৰ্য্যোধনে তাৰ কথা শুনিয়েই যুদ্ধত জাপ দিছে। যিমান দিনলৈকে শকুনি জীয়াই থাকিব, সিমান দিনলৈকে যুদ্ধ চলি থকাই সম্ভৱ। বাৰু, মই এতিয়া আহোঁ দাদা।

যুধি—যোৱা ভাই, তুমি ক্লান্ত। [ সহদেৱৰ প্ৰস্থান। স্বগতঃ ] হে অনাদি, অনন্ত, অব্যক্ত, নিৰাকাৰ নিৰঞ্জন, তুমিয়েই আদি তুমিয়েই শেষ। অবোধ সন্তানক কলৈ টানি নিছা প্ৰভু?

[ ভীমাৰ্জ্জুনৰ প্ৰৱেশ ]

অৰ্জ্জুন—দুৰ্য্যোধনৰ পৰম মিত্ৰ কৰ্ণ মহাবীৰে যুদ্ধক্ষেত্ৰৰ পৰা আজি প্ৰাণ লৈ পলাল দাদা।

যুধি—শুনিছোঁ ভাই, অতি আনন্দৰ কথা।

ভীম—এই পলায়নৰ পুৰস্কাৰ স্বৰূপে, দুৰ্য্যোধনে কৰ্ণক অঙ্গদেশ আগতে দান দি থৈছিল। [ যুধিষ্ঠিৰ আৰু অৰ্জ্জুনে হাঁহে ]

অৰ্জ্জুন—কিন্তু দুৰ্য্যোধনৰ ধৈৰ্য্য প্ৰশংসা নকৰি নোৱাৰি দাদা, এতিয়াও অচল অটল, এতিয়াও বুকু ডাঠ।

যুধি—মানুহ স্বৰূপে, ৰজা স্বৰূপে দুৰ্য্যোধন দোষী হ'লেও ক্ষত্ৰিয় স্বৰূপে কুৰুৰাজ যথাৰ্থ বীৰ।

ভীম—সেই বীৰত্বও যাব; ডাঠ বুকুও কঁপিব।

যুধি—কেনেকৈ ভাই?

[ ভীমে অতি গহীন হৈ হাতত থকা গদা দেখুৱায় ]

যুধি—বিশ্বাস কৰোঁ।

অৰ্জ্জুন—কুৰুপতিৰো কিন্তু অটল বিশ্বাস কৰ্ণৰ ওপৰত।
যুধি—অযোগ্যত বিশ্বাস স্থাপন কৰা নাই ফাল্গুনী।
অৰ্জ্জুন—হ'ব পাৰে যোগ্যজন। কিন্তু এইদৰে পলাবলৈ হ'লে, সেই বিশ্বাস কিমান দিন থাকিব।
ভীম—মোৰ ধাৰণা হৈছে, এইবাৰ কৰ্ণই ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰিব। কোনো ক্ষত্ৰিয় বীৰে পৰাজয়ৰ কলঙ্ক সহ্য কৰি থাকিব নোৱাৰে অৰ্জ্জুন।
যুধি—মোৰো সেয়ে ধাৰণা।
অৰ্জ্জুন—তাৰ বাবে চিন্তা নাই দাদা, যদুপতি আমাৰ সহায়।

[ কৃষ্ণৰ প্ৰবেশ ]

কৃষ্ণ—যদুপতিয়ে কি কৰিব সখা? তোমাৰ পৰা গাণ্ডীব আৰু দাদাৰ হাতৰ পৰা গদা লৈ যুদ্ধ কৰিব পৰা শক্তি যদুপতিৰ এতিয়াও হোৱা নাই। পাৰোতেনো কুৰুক্ষেত্ৰ যুদ্ধত অস্ত্ৰ নধৰো বুলি শপথ খাওঁনে?
যুধি—যদুপতি, তুমি নিৰস্ত্ৰ হ'লেও তোমাৰ অনন্ত শক্তিৰ এটি কণাই, আমাৰ পঞ্চ ভ্ৰাতা আৰু সেনা-সেনানীক শক্তিশালী কৰি তুলিছে।
কৃষ্ণ— সিমান শক্তি থকা হ'লে জৰাসন্ধৰ ভয়ত তোমালোকৰ ওচৰ নেচাপিলোহেঁতেন ধৰ্ম্মৰাজ। সেইবোৰ কথা এতিয়া নেলাগে; ব'লা শিবিৰলৈ যাওঁ, বৰ ভাগৰ লাগিছে।
যুধি—আহাঁ, মই বিশ্ৰামৰ আয়োজন কৰো। [প্ৰস্থান]
ভীম—ব'লা যদুপতি আমিও শ্ৰান্ত।

কৃষ্ণ—এতিয়া বুজিলো বৃকোদৰ মূৰ্চ্ছা যোৱা বিধৰ মানুহ নহয়। [ অৰ্জ্জুনলৈ চাই ] সখাত কিন্তু অলপ সন্দেহ আছে।

অৰ্জ্জুন—কাৰণ ?

কৃষ্ণ—কাৰণ প্ৰতিবাদ কৰিব নোৱাৰিলা।

অৰ্জ্জুন—বাদ-প্ৰতিবাদ মোক নেলাগে মুৰাৰি।

যুদ্ধ লাগে, জয় লাগে,
প্ৰতিদ্বন্দী লাগে।
ৰামদত্ত, গুৰুদত্ত
থাকক বিজয় সখা,
কৰ্ণৰ হাতত,
মোৰো আছে,
দেৱদত্ত গাণ্ডীৱ মুঠিত।
অতিকে আকুল হৈ যে,
অতি তৃষ্ণাতুৰ,
ঘনে ঘনে বিচাৰিছে
কৰ্ণৰ ৰুধিৰ।

ভীম—মোৰো অতি শুষ্ক কণ্ঠ !

উত্তপ্ত লোহিত,
মোকো লাগে, মোকো লাগে,
বুকুৰ অমৃত।

কৃষ্ণ—[ হাঁহি ] পাবা—আহাঁ এতিয়া।

[ কৃষ্ণ আগে আগে, পাচত ভীমাৰ্জ্জুনৰ প্ৰস্থান ]

—পট—

২য় দৃশ্য— কুৰু শিবিৰৰ এটা কক্ষ

[ কৰ্ণ আৰু দুঃশাসনৰ প্ৰবেশ ]

কৰ্ণ—দুঃশাসন, প্ৰথম চেষ্টা ব্যৰ্থ হৈছে হয় কিন্তু সেই বুলি মই নিৰুৎসাহী নহওঁ।

দুঃশাসন—আমাৰ অজস্ৰ সৈন্য নিধন হ'ল অঙ্গৰাজ।

কৰ্ণ—স্বীকাৰ কৰিছোঁ। কিন্তু ভীষ্ম দ্ৰোণয়ো সৈন্যনাশত বাধা দিব নোৱাৰিছিল।

দুঃশা—সেইটো হয়, পিচে দাদাৰ আস্থা আপোনাৰ ওপৰত যিমান আছিল আৰু আছে, আন কাৰো ওপৰত সিমান নাছিল। মাত্ৰ সন্মান কৰি পিতামহ আৰু গুৰু দ্ৰোণক আগতে সেনাপতি পাতিলে।

কৰ্ণ—সেই আস্থাৰ প্ৰতি অপব্যৱহাৰ কৰিব খোজা নাই দুঃশাসন।

দুঃশা—জানো মহাৰাজ।

কৰ্ণ—আজি হাৰিছো বুলি চিৰ দিন নেহাৰো, আজি সৈন্য-নাশ হ'ল বুলিয়েই চিৰদিন হ'ব নোৱাৰে।

দুঃশা—পাণ্ডৱৰ লগত কৌৰৱ হাৰিবলৈ হ'লে আমাৰ জন্ম-ধাৰণ কৰাই মিছা মহাৰাজ। বীৰ বুলি, ক্ষত্ৰিয় বুলি পৰিচয় দিয়াৰ কোনো মূল্য নাথাকে।

কৰ্ণ—পাণ্ডৱৰ জয় এটা স্বপ্ন আৰু কৌৰৱৰ পৰাজয় এটা অলীক কল্পনা।

দুঃশা—যিদিনা কুৰু ক্ষেত্ৰত পঞ্চ পাণ্ডৱৰ মৃত দেহৰ ওপৰত

শিয়াল-শগুণ বহি মঙ্গহ টনা-আজোৰা কৰিব, সেই দিনা আমাৰ কিমান আনন্দ হব ?

কৰ্ণ—সেই শুভদিনলৈ আৰু বেচি অপেক্ষা কৰিব নেলাগে দুঃশাসন, সেই দিন আহিছে ।

দুঃশা—আহিবই লাগিব। দুৰ্য্যোধন দুঃশাসনৰ গদা, কৰ্ণ মহাৰথীৰ ধনু আৰু শকুনিৰ মন্ত্ৰণা ধেমালিৰ কথা নহয়। সেই দিন আনিবই লাগিব। বাৰু আপুনি অলপ অপেক্ষা কৰক, মই দাদাক জনাওঁ। [ প্ৰস্থান ]

কৰ্ণ—[ স্বগতঃ ] কৃষ্ণ হ'ব পাৰা তুমি নৰৰূপী ভগৱান, সেই বুলি পাৰ্থৰ মৃত্যুত হস্তক্ষেপ কৰিলে নচলিব। পাৰ্থক ৰাখিব নোৱাৰিবা ।

[ বিষণ্ণ মনেৰে দুৰ্য্যোধনৰ প্ৰৱেশ ]

আহাঁ সখা ।

দুৰ্য্যো—অঙ্গাধিপতি, পাণ্ডৱৰ পৰাজয় বাৰ্ত্তা শুনি সুখী হ'লো।

কৰ্ণ—তিৰস্কাৰ নকৰিবা সখা।

দুৰ্য্যো—তিৰস্কাৰ নাইকৰা মহাৰাজ, তোমাৰ গুণ-কীৰ্ত্তন কৰিছোঁ।

কৰ্ণ—[ অলপ খঙেৰে ] সখা—

দুৰ্য্যো—[ খঙেৰে ] কি—

কৰ্ণ—কৰ্ণ এতিয়াও জীয়াই আছে।

দুৰ্য্যো—এটা সামান্য কুৰু-সেনায়ো পলৰীয়া হৈ প্ৰাণ ধাৰণ কৰিবলৈ লাজ পায় মহাৰাজ।

কৰ্ণ—কুৰুপতি, ই আজি কেনে ব্যৱহাৰ ?

দুৰ্য্যো—কৌৰৱৰ শ্ৰেষ্ঠ সেনাপতি, বীৰ অগ্ৰগণী, মহাৰথী কৰ্ণৰ
যোগ্য ব্যৱহাৰ।

কৰ্ণ—কৌৰৱেশ্বৰ, কৰ্ণক অধৈৰ্য্য নকৰিবাঁ, ক্ষিপ্ত নকৰিবা।

দুৰ্য্যো—ভ্ৰূকুটি দেখুৱাবলৈ মোক নাবীজ্ঞান কৰিছা মহাৰাজ?

কৰ্ণ—জানো, তুমি মহাৰাজ
প্ৰচণ্ড প্ৰতাপী।
জানো, বীৰ তুমি,
নোহোৱা ৰমণী।
অসীম ঐশ্বৰ্য্যশালী
তুমি কুৰুপতি,
নিঃসহায় নিৰ্ধনী কৰ্ণক,
সত্যকথা,
অযাচিতে কৰিছিলা ৰাজ্য দান,
কৰিছিলা, মণি-মুক্তা দান,
সেই বুলি,
কৰ্ণই নকৰে সহ্য এনে অপমান।

দুৰ্য্যো—তেন্তে দুৰ্যোধনে
কোন প্ৰাণে,
সহিব পাৰিব কোৱাঁ
তেনে অপমান?

কৰ্ণ—কি অপমান?

দুৰ্য্যো--পৰাজয়ৰ অপমান, কৌৰৱ সেনাপতিৰ পলায়নৰ অপমান!

পাণ্ডৱৰ শিবিৰত
জনে জনে আজি,
প্ৰচাৰ কৰিছে মোৰ
কলঙ্ক কাহিনী।
বাটে ঘাটে কৰে আলোচনা,
বনবাসী পাণ্ডৱৰ
নিপুণ চানেকি চাই
ৰণ পাণ্ডিত্যৰ
ভীত হ'ল কৌৰৱৰ
বিৰাট বাহিনী,
উৰ্দ্ধশ্বাসে প্ৰাণ লই
ত্যজিলে সমৰ।
ভিক্ষাৰীৰ তিৰস্কাৰ,
বিদ্ৰূপৰ বাণী,
দুৰ্ব্বলীৰ এনে অহঙ্কাৰ,
কোন প্ৰাণে, কোন প্ৰাণে,
ভাৰতৰ একচ্ছত্ৰী
অধীশ্বৰ হই
অম্লান বদনে আজি
ল'ম শিৰ পাতি।

কৰ্ণ—[ অলপ ৰৈ ] মহাৰাজ, মহাৰাজ,
নেলাগে নেলাগে আৰু

অস্পষ্ট নহয়,
প্ৰত্যক্ষে পাইছোঁ দেখা
অন্তৰৰ মনোব্যথা
বেদনাৰ ৰেখা।
চিন্তা আৰু নাই কুৰুপতি,
নিদাৰুণ ক্ৰুৰ নিয়তিয়ে
গোপনে গোপনে আহি
নিৰ্ম্মম হাতেৰে
ভাগ্য চক্ৰ আজি মোৰ
প্ৰতিকূলে দিছিলে ঘূৰাই।
ইবাৰ সতৰ্ক মই। - [ শল্যৰ প্ৰবেশ ]
নোৱাৰে চাপিব কাষ,
নোৱাৰে তৰিব আৰু
ষড়যন্ত্ৰ জাল।
মহাৰাজ, দিয়া মোক
সুনিপুণ সাৰথি এজন
শেষ কৰোঁ কুৰুক্ষেত্ৰ ৰণ,
উজলাও কৌৰৱৰ
কীৰ্ত্তি অগণন।

দুৰ্য্যো—মদ্ৰপতি, কোৱাঁ
কৰিবানে সাৰথ্য স্বীকাৰ?

শল্য—আদেশ যদিহে কৰে

কৌৰৱ ঈশ্বৰে
অৱশ্যেই কৰিব লাগিব।

দুৰ্য্যো—আদেশ নহয় ৰজা,
মোৰ অনুৰোধ

শল্য—আনন্দেৰে কৰিলোঁ স্বীকাৰ।

কৰ্ণ—তেন্তে কুৰুপতি,
সুস্থিৰে বিশ্ৰাম কৰা
আপোন কক্ষত।
যুদ্ধ চিন্তা কৰি
মস্তিষ্ক উত্তপ্ত কৰি,
নেলাগে যাপিব আৰু,
বিনিদ্ৰ ৰজনী। [প্ৰস্থান]

দুৰ্য্যো—প্ৰবল বেগেৰে আজি
ধুমুহা বলিব
বাধিবৰ শক্তি আৰু নাই পাণ্ডৱৰ।

[ দুৰ্য্যোধন আৰু তেওঁৰ পাচে পাচে শল্যৰ প্ৰস্থান ]

[ বিপৰীত ফালৰ পৰা শকুনিৰ প্ৰবেশ ]

শকুনি—বাধা দিবৰ শক্তি আছে বুলি জানিলে কি কৰিবা দুৰ্য্যোধন, কি কৰিবা? চকুৰ আগতে দেখিছা, ভীষ্ম গৈছে, দ্ৰোণ গৈছে, কৰ্ণ পলাইছে, আকৌ কৈছা "বাধা দিবৰ শক্তি নাই, বাধা দিবৰ শক্তি নাই।" অন্ধ, উন্মাদ, এতিয়াও বিশ্বাস আছে পাণ্ডৱক ধ্বংস কৰিম, এতিয়াও বিশ্বাস আছে

কুৰুক্ষেত্ৰত বিজয় পতাকা উৰাম, প্ৰলাপ! প্ৰলাপ!! প্ৰলাপ!!! তেজৰ পিৰপিৰণি থাকে মানে দুৰ্য্যোধন, এই প্ৰলাপ থাকিব। কিন্তু যিদিনা তেজ চেঁচা পৰিব, গোট মাৰিব, টনটনীয়া শিৰ কোচ খাই বিট-শগুণৰ ঠোঁটৰ আগত ওলমি পৰিব, সেই দিনা এই প্ৰলাপ, এই উন্মাদনা ক'ত থাকিব!!　　[ প্ৰস্থান ]

— পট—

৩য় দৃশ্য—ৰণক্ষেত্ৰ

[ হাতত গদা লৈ মূৰ্ত্তি ধৰি ভীমৰ প্ৰৱেশ ]

ভীম—[ নেপথ্যলৈ চাই ] পাণ্ডৱ সৈন্য, কৰ্ণৰ ভয়ত পলাইছ? কাপুৰুষ, ভীৰু, চা ঘূৰি, যমদণ্ড হাতত লৈ মূৰ্ত্তিমান ৰুদ্ৰৰূপী মই বৃকোদৰ! একো ভয় নাই, নপলাবি, নপলাবি; হীন সূতপুত্ৰই পাণ্ডৱক পৰাস্ত কৰিব নোৱাৰে।

[ কৰ্ণৰ প্ৰৱেশ ]

কৰ্ণ—তেন্তে মহাৰাজ পাণ্ডুৰ পুত্ৰ, বিৰাট ৰজাৰ বান্ধনিয়ে কৌৰৱক পৰাস্ত নকৰে কিয়!

ভীম—কৌৰৱৰ পদসেৱী,
পাপিষ্ঠ অধম,
চা, চা, তোৰ সন্মুখত আজি
কালান্তক যম।

কৰ্ণ—[মিচিকীয়া হাঁহি মাৰি ভীমৰ ভৰিব পৰা মূৰলৈকে চাই বিদ্ৰূপ কৰি]

মৃত্যুপতি, ইচ্ছা হ'লে
নিৰ্ব্বিঘ্নে পলাব পাৰা
দিছো অনুমতি।

ভীম—ভীমৰ শুনিলে নাম,
থৰে থৰে কঁপে যদি প্ৰাণ,
কিয় হলি কৌৰৱৰ সেনাপতি ভীৰু?
দুৰ্ব্বল হাতত ধৰি
কিয় কাপুৰুষ,
পৰশুৰামৰ ধনু অশুচি কৰিলি?

কৰ্ণ—[ ভীমৰ কথালৈ আওকাণ কৰি, নেপথ্যলৈ চাই ]

যদুপতি,
ঘূৰুৱা ঘূৰুৱা ৰথ
চলালা কলই?
অপেক্ষা কৰিছোঁ চোৱা
মৃত্যুবান লই।
কি? কি? ঘুঘূৰালা? [বিপৰীত ফালে নেপথ্যলৈ চাই]
শল্য, শল্য, আনা ৰথ,
আপুনি আগুৰি ধৰি,
সউ কপিধ্বজ
দেখুৱাও অৰ্জ্জুনক মৰণৰ পথ [প্ৰস্থানোদ্যত]

ভীম— [কৰ্ণক আগ ভেটি] কলৈ পলাবি অধম? ভীমৰ চকুত
ধূলি দি সাৰিব পাৰিম বুলি ভাবিছ?

কৰ্ণ— বীৰবৰ,
নেজানা ৰহস্য একো নোৱাৰা বুজিব।
হাতৰ মুঠিত পাই
পাৰেঁাতেনো এৰি দিও স্বেচ্ছায় তোমাক?
যোৱঁা যোৱঁা,
জননীৰ আলাসৰ লাৰু,
আঁচলৰে মুখ মচি শিতলোৱা প্ৰাণ　[প্ৰস্থান]

ভীম— সুচতুৰ ৰাধাৰ নন্দন,
নেৰিছো কদাপি তোক, নাই পৰিত্ৰাণ [প্ৰস্থান]

[ বিপৰীত ফালৰ পৰা দুঃশাসনৰ প্ৰবেশ ]

দুঃশা—আনন্দৰ উৎস আজি
উঠলি উঠিছে!
দুৰ্দ্দান্ত শাৰ্দ্দুল দেখা
হৰিণীৰ দৰে,
আতুৰত শত্ৰুসেনা সঘনে কঁপিছে।
সোৱা সোৱা
কৰ্ণ যুধিষ্ঠিৰে কৰে ভীষণ সংগ্ৰাম।
হুহকিছে যুধিষ্ঠিৰ।
অঙ্গৰাজ, হত্যা কৰা, হত্যা কৰা,
দয়া নাই, ক্ষমা নাই, ধৰ্ম্মৰাজ বুলি।[ প্ৰস্থান ]

[বিপৰীত ফালৰ পৰা শকুনিৰ প্ৰবেশ]

শকুনি—সত্য কথা দুঃশাসন, দয়া নাই, ক্ষমা নাই! কোনেও কাকো ক্ষমা কৰিব নোৱাৰে, নোৱাৰে। স্বৰগৰ দেৱতা-কিন্নৰ, মৰ্ত্ত্যৰ মানৱ, শুনা, দুঃশাসনে কৈছে, হত্যা কৰা হত্যা কৰা! ধৰ্ম্মৰাজ বুলি দয়া দয়া নাই ক্ষমা নাই। আৰু ময়ো কওঁ ভাগিন বুলি ক্ষমা নাই, ক্ষমা নাই

[প্ৰস্থান]

[বিপৰীত ফালৰ পৰা ডিঙিত ধনু লগাই কৰ্ণই যুধিষ্ঠিৰক টানি আনে]

কৰ্ণ— ধৰ্ম্মৰাজ,
ক'ত তোমাৰ আজি
গদাধাৰী ভাই বৃকোদৰ।
খাণ্ডৱ দহন কৰা ক'ত ধনঞ্জয়?
নিঃসহায় অৱস্থাত,
তোমাক অকলে এৰি
কলই পলাল আজি মাদ্ৰীৰ তনয়।
ত্ৰাণকৰ্ত্তা বুলি যাৰ পশিলা শৰণ,
ক'ত সেই কুট কৃষ্ণ দৈৱকী নন্দন?

[ধনুত ধৰি জোকাৰে]

যুধি— হেৰ, হেৰ, ৰাধাৰ নন্দন,
এৰি দে, এৰি দে মোক,
যুজি পুনৰবাৰ,
মৃত্যুদণ্ড আজি তোক দিওঁ উপহাৰ।

কৰ্ণ— [এৰি দি] তুমি মোৰ মৃত্যু দাঁতা !
হাঃ হাঃ হাঃ
ধৰ্ম্মৰাজ,
বুদ্ধিহীন, মতিচ্ছন্ন নহয় বিধতা।
যোৱা মহাৰাজ
আনন্দেৰে দিছোঁ মুক্তিদান।
ইচ্ছা কৰা হ'লে,
কৌৰৱৰ ৰাজ প্ৰাসাদত
বন্দী কৰি লৌহ পিঞ্জৰাত,
পাৰিলোহেঁতেন ৰজা, ৰাখিব তোমাক
কিন্তু, নেৰাখো, কাৰণ,
কৰ্ণই নকৰে ভঙ্গ
কোনো প্ৰতিজ্ঞাৰ ।
ৰহস্য, ৰহস্য তাৰ
জীৱনৰ সাৰ।
[ ৰাব খুজি ঘূৰি আহি কয় ]

কৰ্ণ— শুনা
তুমি মোৰ প্ৰতিদ্বন্দী নাছিলা ৰাজন,
পাৰ্থক উদ্দেশি মোৰ
চলিছিলে ৰথ,
সন্মুখত তুমি আহি
আগুৰিলা পথ।

—তোমাৰ বাবেই আজি
হেৰাল চিকাৰ,
নহলে নোপোৱা তুমি এনে তিৰস্কাৰ।

[প্ৰস্থান]

( বিপৰীত ফালে তললৈ মূৰ কৰি যুধিষ্ঠিৰৰ প্ৰস্থান )

—পট—

### ৪ৰ্থ দৃশ্য—পাণ্ডৱ শিবিৰ

[ দ্ৰৌপদীয়ে গীত গাই থাকে গীত নৌ হওঁতেই অৰ্জ্জুনৰ প্ৰৱেশ ; দ্ৰৌপদীয়ে গীত শেষ নকৰি বাকী ছোৱা অৰ্জ্জুনৰ মুখলৈ চাই গাই শেষ কৰে ]

( গীত )

হিয়া খনি আজি মোৰ
কিয় কঁপে কিয় কঁপে
ব্যথা ভৰা বাজে সুৰ ?
শুনো কিয় ভ্ৰৱণিৰ
অৰুনিমা নলিনীৰ
করুণ বিননি ধ্বনি
বিৰহে বিষাদে পূৰ ?
ৰেৱতীৰ পাতে পাতে
শৰতৰ হিমে ছাটে
নজ্বলি মুকুতা তাতে
সৰে কিয় চকুলোৰ ?

অৰ্জ্জুন—আজি আৰু সঙ্গীতে শান্ত্বনা দিব নোৱাৰে যাজ্ঞসেনী।
দ্ৰৌপদী—কিয় নাথ?
অৰ্জ্জুন—যুদ্ধত আমাৰ পৰাজয়, সৈন্য ছত্ৰভঙ্গ।
দ্ৰৌপদী—পৰাজয় হৈছে? কেনেকৈ পৰাজয় হ'ল?
অৰ্জ্জুন—মই অশ্বত্থামাৰ লগত লাগি থাকোতেই কৰ্ণই দুৰ্জ্জয় বিক্ৰমে আমাৰ বেহুভেদ কৰি সকলোকে পৰাস্ত কৰিলে, দাদা, নকুল, সহদেৱ সকলো পলাল। ধৰ্ম্মৰাজে প্ৰাণপণে চেষ্টা কৰিছিল, কিন্তু তেওঁৰ চেষ্টাও ব্যৰ্থ হল,।
দ্ৰৌপদী—সেই বাবে চিন্তা নকৰিব প্ৰিয়তম। আপোনাসকল ভালে থাকিলে কৌৰৱে একো কৰিব নোৱাৰে।
অৰ্জ্জুন—হব পাৰে। কিন্তু আজি ধৰ্ম্মৰাজৰ আগত কেনেকৈ মুখ দেখুৱাম? কিহেৰে দাদাক প্ৰবোধ দিম? উস্ মই যদি গুৰুপুত্ৰৰ লগত ব্যস্ত নেথাকি কৰ্ণক প্ৰতিৰোধ কৰিলোহেঁতেন।
দ্ৰৌপদী—অনুতাপ কৰিলে কি হ'ব নাথ? হোৱা কথা হৈ গ'ল।
অৰ্জ্জুন—আক্ষেপ কৰি লাভ নাই সঁচা, কিন্তু আজিৰ জয়েই অভিমানী দুৰ্য্যোধনৰ তেজ দুগুণে বঢ়াব। প্ৰতিদিন পৰাস্ত হৈ ভগ্নোৎসাহী হোৱা কুৰু-সেনাক যথেষ্ট উৎসাহ দিব।
দ্ৰৌপদী—এদিনৰ পৰাজয়ে আমাৰ সেনাকো হতাশ কৰিব নোৱাৰে নাথ। যদি ধৰ্ম্ম আছে, যদি পাপ-পুণ্যৰ বিচাৰ আছে, পৰোস্বপহাৰী দুৰ্য্যোধনৰ শেষফল শোচনীয় হ'বই হব।
অৰ্জ্জুন—কৃষ্ণা, তোমাৰ বাক্যই যেন সত্য হয়।

দ্ৰৌপদী—[ নেপথ্যলৈ চায় ] সোৱা, মহাৰাজ আহিছে !

অৰ্জ্জুন—আহিছে ? যোৱা তুমি শুশ্ৰূষাৰ আয়োজন কৰাঁ।

[ দ্ৰৌপদীৰ প্ৰস্থান। বিপৰীত ফালৰ পৰা যুধিষ্ঠিৰৰ প্ৰবেশ ]

যুধিষ্ঠিৰ—কৰ্ণক বধ কৰিলা অৰ্জ্জুন !

অৰ্জ্জুন—মই সংশপ্তক আৰু অশ্বত্থামাৰ লগত যুদ্ধ শেষ কৰি অলপ আগতে শিবিৰ পাইছোহি। ইয়াত আহি মাত্ৰ জানিব পাৰিছো যে আমাৰ পৰাজয় হৈছে।

যুধি—তেন্তে কৰ্ণ এতিয়াও জীয়াই আছে ? [ অৰ্জ্জুন নিমাত ] নিমাত কিয় ?

অৰ্জ্জুন—[ কঁপা মাতেৰে ] দাদা, মহাৰাজ—

যুধি—অপদাৰ্থ,-এই বীৰত্বৰে কৰ্ণ বধ প্ৰতিজ্ঞা কৰিছিলি ? এই বীৰত্বৰে তৰ্জ্জন-গৰ্জ্জন কৰি দুৰ্য্যোধনৰ ওপৰত প্ৰতিশোধ ল'ম বুলি কৈছিলি ?

অৰ্জ্জুন—[ হাত জোৰ কৰি ]

ক্ষান্ত হোৱা দাদা,
পিতৃ সম, তুমি পূজ্য মোৰ।
জানিলোহেঁতেন যদি আগেয়ে এবাৰো
ৰাধাৰ তনয়ে আজি
পৰাস্ত কৰিব বুলি চাৰি ভ্ৰাতা মোৰ
কৰ্ণক স্বেচ্ছায় এৰি ৰণ প্ৰাঙ্গণত
নেথাকো আবদ্ধ দাদা
দ্ৰোণীৰ লগত।

যুধি— আস্ফালন শুশুনো অৰ্জ্জুন !
নেযাওঁ প্ৰতায় আৰু
ভীৰুৰ কথাত !
হীন, নীচ কুলোদ্ভৱ
ৰাধাৰ নন্দনে
সমৰ ক্ষেত্ৰত মোক কৰে অপমান,
আৰু তই, কাপুৰুষ,
যুদ্ধ পৰিহৰি
সখীৰ লগত তোৰ
উলাহত মত্ত হ'লি
প্ৰত্যুষতে গই।

অৰ্জ্জুন—দাদা, দাদা
ধৰো চৰণত
নোদোষিবাঁ অধমক আৰু [ ভৰিত ধৰিব খোজে ]

যুধি— আঁতৰ আগৰ পৰা
গুচ কুলাঙ্গাৰ।
এই শকতিৰে গাণ্ডীৱ ধৰিছ !
এই মুখেৰেই তই
নিতে নিতে গাণ্ডীৱৰ কীৰিতি বখান !
নেলাগে নেলাগে ভীৰু
দে, দে, দলিয়াই,
অকামিলা গাণ্ডীৱৰ প্ৰয়োজন নাই।

অৰ্জ্জুন— [ খণ্ডত উন্মত্ত হই ]

কি—কি!

গাণ্ডীৱক তুচ্ছ জ্ঞান কৰিলা অবোধ,

—লোৱাঁ তাৰ পুৰস্কাৰ

নিৰ্ম্মম, নিষ্ঠুৰ।

[ তৰোৱাল উলিয়াই যুধিষ্ঠিৰক কাটিব খোজে ; কৃষ্ণই প্ৰৱেশ কৰি দুয়োৰো মাজত থিয় দি হাত দাঙ্গি অৰ্জ্জুনক বাধা দি কয়]

কৃষ্ণ— মূৰ্খ, মাটিৰ মানুহ পৰে মাটিতেই ওৰ।

নিয়তি গৰাকী মাথো জনম মৃত্যুৰ ॥

অৰ্জ্জুন—যদুপতি, যদুপতি,

গাণ্ডীৱক যেই জনে

কৰে তিৰস্কাৰ,

ভ্ৰাতৃ হওক, গুৰু হওক

বিনাশিব ফাল্গুনীয়ে

এয়ে অঙ্গীকাৰ।

[কৃষ্ণই অৰ্জ্জুনৰ হাতৰ পৰা তৰোৱাল কাঢ়ি আনে, যুধিষ্ঠিৰে 'অৰ্জ্জুন বুলি কিবা ক'ব খোজোতেই কৃষ্ণই একো নেমাতিবলৈ ইঙ্গিত দিয়ে]

কৃষ্ণ— ধৰ্ম্মৰাজ জ্যেষ্ঠ যাৰ,

পিতৃ তুল্য যাৰ,

সেই মহাগুৰু নাশি

নেলাগে পালিব পাৰ্থ,

সত্য অঙ্গীকাৰ।

অৰ্জ্জুন—[ খঙেৰে ] ব্যৰ্থ হ'ব তেনে মোৰ
সত্য অঙ্গীকাৰ ?

কৃষ্ণ—নহয় কদাপি ব্যৰ্থ
আছে অন্যোপায়।
[ অৰ্জ্জুনলৈ আঙ্গুলি টোৱাই
বিস্মিত নহবা পাৰ্থ,
নোৱাৰা যদিহে ল'ব নিন্দুকৰ প্ৰাণ,
আছিল প্ৰতিজ্ঞা তব,
নিজ প্ৰাণদান।

অৰ্জ্জুন—সত্য, সত্য, যদুপতি,
আছিলো বিস্মৃত।
[ যুধিষ্ঠিৰক আঠুকাঢ়ি ]
দাদা, দাদা
মহাত্মন,
জীৱন নিৰ্ম্মালি মোৰ
নবঢ়াই আগ
ভাঙ্গিব খুজিলো আগে
দেৱ পূজা ভাগ,
ক্ষমা কৰা, ক্ষমা কৰা দাদা।
[ উঠি ] চিন্তা নাই যদুপতি,
আপুনি বিদাৰি আজি
বক্ষ আপোনাৰ

আপোন শোণিত ঢালি,
তৰ্পণ কৰিম তাৰে—
সত্য অঙ্গীকাৰ।

[ ধনুশৰ উলিয়াই আত্মহত্যা কৰিব খোজে ]

কৃষ্ণ—[ বাধা দি ] সত্যাশ্ৰয়ী, বীৰত্বৰ পৰাকাষ্ঠা দেখুৱাব নালাগে। আত্মহত্যা কৰি জগতত কীৰ্ত্তি ৰাখিব নেলাগে ত্ৰিভুবন বিজয়ী ফাল্গুনীৰ শোণিতেৰে পাণ্ডৱ শিবিৰ ৰঞ্জিত কৰিব নেলাগে। যদি সত্যৰক্ষা কৰিব খুজিছা, আত্মশ্লাঘা কৰা। আত্মশ্লাঘা কৰিলেই আত্মদান, কৰা হ'ব।

অৰ্জ্জুন—[ ক্ষন্তেক ভাবি ] সেয়ে হওক যদুপতি, তোমাৰ ইচ্ছাই পূৰ্ণ হওক।

শুনা ধৰ্ম্মৰাজ,
দেবাসুৰ জয়ী মই পাৰ্থ মহাবীৰ।
এই সুদৃঢ় বাহুৰে
কৰিছিলো ধূলিস্যাৎ
লক্ষ লক্ষ ৰাজেন্দ্ৰ মণ্ডলী,
সয়ম্বৰ দিনা সেই দ্ৰোপদ বালাৰ।
মল্ল যুদ্ধ কৰি
সৃষ্টিৰ সংহাৰকাৰী
ত্ৰিশূলীৰ সতে
শুনা শুনা মহাৰাজ,
পাশুপাত অস্ত্ৰলাভ কৰিছিলো ময়ে।

আজি,
আজি তব সন্মুখত
কৰিলোঁ প্ৰতিজ্ঞা
—সাক্ষী তুমি, যদুকুল মণি,
এই গাণ্ডীৱেৰে মোৰ,
কুৰুক্ষেত্ৰ সমৰ স্থলিত,
বিনাশি ৰাধাৰ পুত্ৰ
দ্বৈৰথ যুদ্ধত
কৰ্ণ শূন্য কৰিম মেদিনী।

—পট—

৫ম দৃশ্য-যুদ্ধক্ষেত্ৰ

[ শকুনি আৰু দুঃশাসনৰ প্ৰৱেশ ]

শকুনি—দুঃশাসন, আজি তোমাৰ পৰীক্ষাৰ দিন। কৌৰৱেশ্বৰ দুৰ্য্যোধনৰ শ্ৰেষ্ঠ ভ্ৰাতা তুমি, বৃকোদৰৰ যোগ্য প্ৰতিদ্বন্দী। এই গদাৰ আঘাতত ৰাক্ষস ভীমৰ শিৰ চূৰ্ণ কৰি তাৰ আসুৰিক লীলা খেলাৰ আজিয়েই শেষ কৰিব লাগিব।

দুঃশাসন—সন্দেহ কৰিছা মামা? দুঃশাসনৰ প্ৰতাপ তুমি দেখা নাই? স্বৰ্গৰ দেৱৰাজ যাৰ ভয়ত কম্পমান, পাতাল বাসুকী যাৰ ভয়ত মূৰ্চ্ছিত, সেই দুঃশাসনৰ আগত ভীম কোন?

( ভীমৰ প্ৰবেশ )

ভীম—ভীম ? ভীম তোৰ যম ! পাপিষ্ঠ নৰাধম, কুলৰ কণ্টক, ইষ্ট দেৱতাক স্মৰণ কৰ। [ শকুনিক ] আৰু তই, চক্ৰান্তকাৰী ৰাজদ্ৰোহী গান্ধাৰ পুত্ৰ। তয়েই—

শকুনি—[ভয় কৰা যেন দেখুৱাই] মই নহওঁ বৃকোদৰ, মই নহওঁ। মই ৰজস্বলা দ্ৰৌপদীৰ চুলিত ধৰা নাই, একবস্ত্ৰা সতীক ৰাজসভাত বিবস্ত্ৰা কৰিব খোজা নাই, মোৰ বক্ষ-ৰক্ত পান কৰিম বুলি তুমি প্ৰতিজ্ঞাও কৰা নাই। তোমাৰ প্ৰতিজ্ঞাৰ লক্ষ্য ৰাজভ্ৰাতা এই দুঃশাসন। দুঃশাসন, কি চাই আছা? দেৱৰাজ তোমাৰ ভয়ত কম্পিত, বাসুকী মূৰ্চ্ছিত, ভীমৰ গৰ্ব্বচূৰ্ণ কৰা, পাণ্ডৱৰ শক্তি লোপ কৰা। [ প্ৰস্থান ]

ভীম—[গৰ্জ্জি] দুঃশাসন, ক্ষত্ৰ কুলাধম হেৰ
পাপিষ্ঠ পামৰ,
পাৰ যদি ৰক্ষা কৰ
শোণিত বক্ষৰ! [ অগ্ৰসৰ হয় ]

দুঃশা—চূৰ্ণ কৰো ময়ো তোৰ
নিষ্ফল দম্ভৰ।

[ যুদ্ধ কৰি দুইৰো প্ৰস্থান; বিপৰীত কালৰ পৰা শকুনিৰ প্ৰবেশ ]

শকুনি—ক'ত ভীম? ক'ত দুঃশাসন!
সোৱা, সোৱা,—
গদাই গদাই হ'ল মহা সংঘৰ্ষণ

[ ওপৰলৈ চাই ] পিতা, পিতা,

ক্ষন্তেক অপেক্ষা কৰা

নাই বেচিক্ষণ,

শত্ৰু শোণিতেহে অৰ্ঘ্য কৰিম তৰ্পণ। [ প্ৰস্থান ]

[ যুদ্ধ কৰি ভীম আৰু দুঃশাসনৰ প্ৰৱেশ ;

গদাৰ প্ৰহাৰত দুঃশাসন বাগৰি পৰে ; ভীমে বুকুৰ ওপৰত বহি ]

ভীম—দুৰ্ব্বৃত্ত পাষণ্ড,

তয়েই, তয়েই,

এই হাতেৰেই—[ হাতত ভুকুৱায় ]

কেশ স্পৰ্শ কৰিছিলি

সাধ্বী পাঞ্চালীৰ !

আজি, আজি,

কোনে ৰক্ষা কৰে তোক ?

দুৰ্য্যোধনক মাত, কৰ্ণক মাত, শকুনিক মাত—চাওঁ, ভীমৰ হাতৰ পৰা কোনে ৰক্ষা কৰে !—

ভীম, নোহে ভীম

ভীম, আজি ৰক্তপায়ী

দুৰ্দ্দান্ত ৰাক্ষস !—[ ৰক্তপান কৰে ]

[ উঠি ] হাঃ হাঃ হাঃ

তৃপ্ত হ'ল, তৃপ্ত হ'ল, তৃষ্ণাতুৰ প্ৰাণ !

ভীমৰ হাতত আজি

দুঃশাসন শেষ !

পাঞ্চালী, পাঞ্চালী,
মুক্ত হল অতদিনে তব মুক্ত কেশ।

[ বেগেৰে প্ৰস্থান ]

—পট—

ৰষ্ঠ দৃশ্য—পাণ্ডৱশিবিৰৰ এটা কক্ষ

[ উদ্‌ভ্ৰান্ত হৈ হাতে-মুখে তেজেৰে ভীমৰ প্ৰবেশ ]

ভীম-কৃষ্ণা ! কৃষ্ণা ! [ দ্ৰৌপদীৰ প্ৰবেশ

দ্ৰৌপদী—ইকি ! ইকি ! গোটেই গাত তেজ ! আপুনি আহত হৈছে।

ভীম—আহত হোৱা নাই; নিহত হৈছে ! নিহত হৈছে !

দ্ৰৌপদী—আপুনি কি কৈছে ? গেটেই গাত তেজ, অথচ-অথচ—

ভীম—ভয় নকৰিবা প্ৰিয়ে, উন্মাদ হোৱা নাই। নৰৰক্ত পান কৰি আহিছোঁ আৰু এয়া ৰক্ত তোমালৈ লৈ আহিছোঁ।

দ্ৰৌপদী—নৰৰক্ত পান কৰিছে ! কাৰ ৰক্ত ?

ভীম—ভ্ৰাতৃৰ, স্নেহৰ ভ্ৰাতৃৰ !

দ্ৰৌপদী—ভ্ৰাতৃৰ ! ভ্ৰাতৃৰ !! (ভয়ত পিচ হুহঁকি) ভগৱান্, ভগৱান্, এইবোৰ কি শুনাইছা, কি দেখুৱাইছা !

ভীম—মাতা, মাতা, উচ্চকণ্ঠে ভগৱানক মাতা। আকুল প্ৰাণে, শুদ্ধচিত্তে কোৱাঁ, ভগবান্ তুমি আছা, তুমি আছা।

(ভীম দ্ৰৌপদীৰ ফালে এখোজ আগ বাঢ়ে)

দ্ৰৌপদী—কি তুমি মোকো হত্যা কৰিবা ? কৰা, কৰা প্ৰভু চিৰ অভাগিনী মই, মোকো হত্যা কৰা।

ভীম—কৰিম কৃষ্ণা, তোমাকো হত্যা কৰিম। আহাঁ আজি মুক্তকেশী পাঞ্চালীক হত্যা কৰি, বিষন্নবদনা দ্ৰোপদনন্দিনীক হত্যা কৰি লাঞ্ছিতা, অপমানিতা যাজ্ঞসেনীক হত্যা কৰি, তাৰ পৰিবৰ্ত্তে [ কৃষ্ণাক ধৰি ] পাণ্ডৱৰ জয়লক্ষীক, ভাবী ভাৰতৰ অধিশ্বৰীক, হাস্য মুখৰিতা, চিৰ প্ৰফুল্লিতা কৰো, যাজ্ঞসেনীক প্ৰতিজ্ঞা মুক্ত কৰি, কৃষ্ণাৰ উন্মুক্ত কৃষ্ণ কেশ আজিৰ পৰা বেণীযুক্ত কৰোঁ।

[ তেজ চুলিত সানি হাতত ধৰি লৈ যায় ]

—পট—

৭ম দৃশ্য—যুদ্ধক্ষেত্ৰ

[ ৰথৰ পৰা নামি এটা চকাত ধৰি কৰ্ণ ; সন্মুখৰ ৰথত কৃষ্ণাৰ্জ্জুন ]

কৰ্ণ—পাৰ্থ, পাৰ্থ, বীৰ চূড়ামণি,
চোৱাঁ,
গ্ৰাসে মোৰ ৰথচক্ৰ ৰাক্ষসী ধৰাই।
ক্ষন্তেক অপেক্ষা কৰা,
বিদাৰি ধৰাৰ বক্ষ
মুক্ত কৰো ৰথ। [ চকাত, ধৰি আজোৰে ]

অৰ্জ্জুন—বীৰবৰ,
মুক্ত কৰা অবিলম্বে ;
অপেক্ষা কৰিলোঁ।
কৃষ্ণ— সাৱধান ধনঞ্জয়,
কোনো ক্ষমা নাই।
কৰ্ণ— যদুপতি, যদুপতি,
তুমিয়েনে দয়াময়, অগতিৰ গতি ?
তুমিয়েনে নাৰায়ণ, পতিত পাৱন ?
পাৰ্থ, পাৰ্থ,
ক্ষত্ৰকুলমণি তুমি,
সাৰথিৰ কথা শুনি,
বংশত কলঙ্ক সানি
বীৰধৰ্ম্ম বিসৰ্জ্জন নিদিবা ফাল্গুনী।
কৃষ্ণ— কোন ধৰ্ম্মমতে,
কৌৰৱৰ নৰক সভাত
পাঞ্চালীক লাঞ্ছনা কৰোঁতে,
সমৰ্থন কৰিছিলা কোৱাহে ধাৰ্ম্মিক ?
কৌৰৱৰ পাপ প্ৰাসাদত
অন্যায় পাশাৰে ছলি
পঞ্চ পাণ্ডৱক, বনবাস দিয়াৰ কালত,
কোন ধৰ্ম্মমতে,
মত দিলা অধৰ্ম্মীৰ নিষ্ঠুৰ মতত ?

কোন ধৰ্ম্ম মতে,
কোন ধৰ্ম্ম মতে কৰ্ণ,
দুঃশাসনে কেশ স্পৰ্শ কৰোতে সতীৰ,
কাঠৰ পুতলা হই প্ৰকাশ্য সভাত
নিমাতে নিতালে বহি আছিলা ধাৰ্ম্মিক?

কৰ্ণ— কৃষ্ণ, কৃষ্ণ,
দুৰ্য্যোধন ভাৰতৰ একচ্ছত্ৰী ৰজা,
অনুগত প্ৰজা মাথো মই।
ৰজাৰ ধৰ্ম্মই ধৰ্ম্ম
পালিত প্ৰজাৰ।
কিন্তু যদুপতি
তুমি কাৰো নোহোৱা অধীন।
তুমিতো নোহোৱা কৃষ্ণ, পাণ্ডৱৰ দাস।
তথাপিও,
ষড়যন্ত্ৰ কৰি কৰি,,
উত্তেজিত কৰি,
স্বৰ্ণময় ভাৰত ভূমিত
অগণি জ্বলালা কিয়,
ভায়ে ভায়ে কন্দল লগাই?

কৃষ্ণ— যুক্তি তৰ্ক বিচাৰৰ
নাই প্ৰয়োজন।
অৰ্জ্জুন, অৰ্জ্জুন,
এই পাষণ্ডই,

দুগ্ধ পোষ্য, সুকুমাৰ,
সুভদ্ৰাৰ আলাসৰ লাৰু
প্ৰাণাধিক অভিমন্যুক তোমাৰ,
অন্যায় সমৰ কৰি
পশুৰূপ ধৰি
নৃশংস নিৰ্ম্মমভাবে হত্যা কৰিছিলে
ফাল্গুনী, ফাল্গুনী,
এয়ে আজি সুৱৰ্ণ সুযোগ,
লোৱাঁ, লোৱাঁ তাৰ প্ৰতিশোধ।

অৰ্জ্জুন—সত্য, সত্য, অতি সত্য।
হেৰ' হেৰ' পাষণ্ড অধম,
ভাল ধৰ্ম্মলই আজি পৰিল মনত।
পশুবৎ বধ কৰি নিৰ্ম্মম হাতেৰে,
পশু তই, শেষ কৰোঁ আজি তোৰ—
পশু অভিনয়।

[ বাণ ত্যাগ কৰিব খোজে ]

কৰ্ণ— [ নেপথ্যলৈ চাই ]
শল্য, শল্য,
ৰথ আনো বুলি মূৰ্খ, কলই পলালি!
[ অৰ্জ্জুনক ] ক্ষত্ৰ কুল গ্লানি হেৰ'
পাপিষ্ঠ দুৰ্ম্মতি,
অতি ভাগ্যৱান তই,
ব্ৰহ্ম শাপে, ঋষি শাপে

নকৰাহেঁতেন মোক আজি জৰ্জ্জৰিত,
নিদাৰুণ নিয়তিয়ে
নকৰাহেঁতেন গ্ৰাস ৰথচক্ৰ মোৰ,
—থাকক সাৰথি তোৰ নৰনাৰায়ণ,
এই বিজয়েৰে আজি
শিৰশ্ছেদ কৰি
ক্ষত্ৰিয় পূজাৰী হই
মাধৱক পূজিলোহেঁতেন,
তোৰ সেই ছিন্নমুণ্ড উপহাৰ দি !

অৰ্জ্জুন—তাৰ আগতে আজি
অধম পামৰ,
তোৰ শোণিতৰে হোক পূজা মাধৱৰ

[ বাণ এৰে, কৰ্ণ বাগৰি পৰে ]

কৰ্ণ— সিন্ধুৰা, সিন্ধুৰা !
পাৰ্থৰ ৰথৰ পৰা
চোৱা কুৰুক্ষেত্ৰ ৰণ অধৰ্ম্মেৰে ভৰা।

[ কৃষ্ণ ৰথৰ পৰা নামি আহে ]

কৃষ্ণ— নহয় অধৰ্ম্ম বীৰ,
কুৰুক্ষেত্ৰ ধৰ্ম্মক্ষেত্ৰ,
ই যে পুণ্যতীৰ ।
যোৱাঁ কৰ্ণ, মহা ধনুৰ্দ্ধৰ,
সৰগত পাবা স্থান,
উচ্চ মনোহৰ ।

কৰ্ণ— দয়াময়,
শেষ হ'ল আজি মোৰ
জন্ম অভিনয়।
জন্ম জন্মান্তৰে যেন
পদ-কমলত,
স্থান দিয়া
এয়ে ভিক্ষা অন্তিম কাল'ত। [ মৃত্যু ]

২য় অঙ্ক শেষ

## তৃতীয় অঙ্ক

### ১ম দৃশ্য ধৃতৰাষ্ট্ৰৰ প্ৰাসাদ কক্ষ

[ ধৃতৰাষ্ট্ৰ আৰু দুৰ্য্যোধন ]

ধৃতৰাষ্ট্ৰ—কৰ্ণ গ'ল, দুঃশাসন গ'ল, কৌৰৱ সৈন্য ধ্বংস হ'ল ! আৰু—

দুৰ্যোধন–পিতা, তাৰ বাবে—

ধৃত—কথা নকবি। মোক ভাবিবলৈ দে, সকলো গৈছে কিন্তু এতিয়াও শকুনি আছে।[ অলপ ৰৈ ] দুৰ্যোধন!

দুৰ্য্যোধন—পিতা—

ধৃত—ব্ৰহ্মতালুত কালসৰ্পে দংশন কৰিলে ধৰণী ধৰিব জান? চিতাত বহুৱা মৃত দেহত প্ৰাণ সঞ্চাৰ কৰিব পাৰ?

দুৰ্য্যো—একো বুজিব পৰা নাই পিতা।

ধৃত—ময়ো একো বুজিব পৰা নাই, কিহৰ পৰা কি হল ! ময়ো একো ধাৰণা কৰিব পৰা নাই, তই কৈছ কি ! দুঃশাসনক ভীমে বধ কৰিলে। দুৰ্য্যোধন, তই উন্মাদ, উন্মাদ !

দুৰ্য্যো—পিতা, পিতা, আপুনি চঞ্চল হৈছে।

ধৃত—চঞ্চল হৈছো ? কতা ?

দুৰ্য্যো—ব'লক পিতা, আপোনাক শয্যালৈ নিওঁ।

ধৃত—মৃত্যু শয্যালৈ ? হাঃ হাঃ হাঃ, তই মোক মৃত্যু দিব নোৱাৰ পুত্ৰ। এশ সন্তানৰ পিতা মই, নেদেখিলি মোৰ আগতে মোৰ নিৰান্নৈবেটা শুক্লপক্ষৰ জোনৰ দৰে লহ-পহকৈ বাঢ়ি অহা সন্তান, মোৰ আগৰে পৰা দুৰ্যোধন, মোৰ আগৰে পৰা নিষ্ঠুৰ নিয়তিয়ে লৈ গুচি গ'ল। অন্ধ মই, জৰাজীৰ্ণ বৃদ্ধ মই, তথাপি মৃত্যুৱে চকু মোৰ ওপৰত নপৰিল। তই মোক কি মৃত্যু দিবি পুত্ৰ !

দুৰ্যো—পিতা বেজাৰ নকৰিব। সকলো গৈছে হয়, কিন্তু আপোনাৰ দুৰ্যোধন এতিয়াও জীয়াই আছে। আশীৰ্ব্বাদ দিয়ক পিতা, যেন লক্ষ্যচ্যুত নহওঁ। ভ্ৰাতৃ শোকে, বন্ধু শোকে, লক্ষ লক্ষ বিধবা নাৰীৰ সজল চকুলোৱে যেন মোৰ আজন্মৰ ব্ৰত, একাগ্ৰ সাধনা ভ্ৰষ্ট কৰিব নোৱাৰে। আশীৰ্ব্বাদ দিয়ক পিতা।

[ নীৰৱে গান্ধাৰীৰ প্ৰবেশ ]

ধৃত—দুৰ্য্যোধন, যা যুদ্ধলৈ যা, যুদ্ধত তোৰ জয় হওক।

উন্মাদ হোৱাৰ আগতে, পৰপাৰলৈ গতি কৰাৰ আগতে, পাণ্ডৱ সমাধিস্থ হোৱা শুনি যাওঁ।

গান্ধাৰী—সেই দিন কেতিয়া আহিব মহাৰাজ ?

ধৃত—কোন, গান্ধাৰী ? তোমাকেই সুধিছোঁ তুমিয়েই কোৱা ৰাণী সেই দিন কেতিয়া আহিব ? [গান্ধাৰী নিমাত]

ধৃত—নিমাতে থাকিলা ? বুজিছোঁ তোমাৰ বিশ্বাসৰ সেই দিন আৰু নাহে। গান্ধাৰী, মাতা হৈ পুত্ৰৰ অকল্যাণ কামনা নকৰিবা। কোৱাঁ, সেই দিন আহিব !

গান্ধাৰী—জননীয়ে গৰ্ভজাত সন্তানৰ অকল্যাণ কামনা নকৰে মহাৰাজ। নিজৰ সৰ্ব্বস্ব দি সন্তানৰ মঙ্গল চিন্তা কৰিয়েই দিন নিয়ায়। কিন্তু, সেই দিন আৰু নাহে।

ধৃত—গান্ধাৰী ! গান্ধাৰী !

দুৰ্য্যো—আই, সেই দিন আৰু নাহে ?

গান্ধাৰী—নাহে পুত্ৰ।

ধৃত—আহিব ! আহিব ! আহিব !!

গান্ধাৰী—মহাৰাজ, বিপন্ন পুত্ৰক উত্তেজিত নকৰিব। সেই দিন আৰু নাহে।

দুৰ্য্যো—সেই দিন যদি নাহে আহিব নালাগে। পাণ্ডৱ ৰণজয়ী হওক দীৰ্ঘজীৱী হওক একো কথা নাই। সেই বুলি হতাশৰ হুমুনীয়া কাঢ়ি ময়ো পশ্চাৎপদ নহওঁ। যেতিয়া জনম ল'লো মৰণ অৱশ্যম্ভাৱী। মৃত্যুৰ ভয়ত কিয় কাপুৰুষ হ'ম ?

গান্ধাৰী—অভিমান নকৰিবি বাচা।

দুৰ্য্যো— অভিমান ? আই, জগতৰ চকুৰ আগত দুৰ্য্যোধন অভিমানী সঁচা, কিন্তু তোমাৰ কাষত, মাতৃৰ কাষত মই সেই মৰমৰ দুৰ্য্যোধন ।

ধৃত— ৰাণী, ৰাণী ।

গান্ধাৰী— মহাৰাজ ।

ধৃত— বাৎসল্য স্নেহৰ এতিয়া সময় নহয় । মাতাই পুত্ৰক আঁকোৱালি ধৰি 'পুত্ৰ পুত্ৰ' বুলি আনন্দাশ্ৰু টুকিবৰ এতিয়া সময় নহয় । দুৰ্য্যোধনক যুদ্ধলৈ পঠিউৱাঁ, যুদ্ধলৈ পঠিউৱাঁ । মোৰ পুত্ৰহন্তা, নৰঘাতী ৰাক্ষস বৃকোদৰ এতিয়াও জীয়াই আছে !

দুৰ্য্যো— আই, বিদায় দিয়া যুদ্ধলৈ যাওঁ ।

গান্ধাৰী— উত্তাৰল নহবি পুত্ৰ ।

ধৃত— ৰাণী, কালক্ষয় নকৰিবা, পুত্ৰক বিদায় দিয়া ।

গান্ধাৰী— এই বিদায়ৰ কাৰণে ইমান অধৈৰ্য্য হৈছে কিয় মহাৰাজ ?

ধৃত— কিয় ? মোক সুধিছা ? ৰাণী ইমান এটা সহজ প্ৰশ্ন অথচ, বীৰমাতা, বীৰজায়া, ক্ষত্ৰীয় ৰমণী হৈ তুমি, গান্ধাৰীয়ে উপলব্ধি কৰিব নোৱাৰিলা ? দুৰ্ভাগ্য ! কিয় ? সোঁধা ৰাণী, আকাশত যদি দেখিছা মৌন ম্লান মেঘমালাক সোঁধা হস্তিনাপুৰৰ দগ্ধপ্ৰাণা বিৰহিনী বতাহক সোঁধা, আৰু আৰু, এই প্ৰসাদত, য'ত ৰাজাধিৰাজ ধৃতৰাষ্ট্ৰ আৰু পটেশ্বৰী গান্ধাৰীৰ উত্তপ্ত নিশ্বাসত প্ৰস্তৰ নিৰ্ম্মিত প্ৰাচীৰ

বিগলিত হওঁ হওঁ, তাৰ শাৰী শাৰী ফটিক স্তম্ভক সোঁধা,
কিয় ধৃতৰাষ্ট্ৰ আজি ইমান অধৈৰ্য্য!

গান্ধাৰী— প্ৰতিশোধৰ কাৰণে।

ধৃত— প্ৰতিশোধৰ কাৰণে। তুমি আচৰিত হৈছা?

গান্ধাৰী— আচৰিত নাইহোৱা মহাৰাজ।

ধৃত— তেন্তে?

গান্ধাৰী— একো নহয়।

ধৃত— উত্তম! দুৰ্য্যোধন, মাতাৰ আশীৰ্ব্বাদ শিৰত লৈ অগ্ৰসৰ হোৱা।

দুৰ্য্যো— আই—

গান্ধাৰী— পুত্ৰ—

দুৰ্য্যো—[আঠুকাঢ়ি] আশীৰ্ব্বাদ কৰিবা, যেন শত্ৰু নিৰ্ম্মূল কৰি তোমাৰ যোগ্য সন্তান বুলি জগতত চিনাকি দিব পাৰো।

গান্ধাৰী—যোৱা বাচা, আশীৰ্ব্বাদ কৰিছো, যথা ধৰ্ম্ম, তথা জয়।

—পট—

২য় দৃশ্য— যুদ্ধ ক্ষেত্ৰৰ দূৰৰ প্ৰান্তৰ

[কৃষ্ণৰ প্ৰৱেশ]

কৃষ্ণ— কুৰুক্ষেত্ৰৰ ৰণৰ সামৰণি পৰি আহিছে। অকল বাকী দুৰ্য্যোধন। দুৰ্য্যোধনক শেষ কৰিব পাৰিলেই মোৰো কৰ্ত্তব্যৰ শেষ হব। শল্য আৰু শকুনি? সিহঁতৰ কাৰণে বিশেষ চিন্তান্বিত হব নেলাগিব। দাদা তীৰ্থৰ পৰা ঘূৰি

অহাব আগতে, দুৰ্য্যোধনক কিবা এটা কৰিব নোৱাৰিলে পাচত কৰা টান হৈ উঠিব ; দুৰ্য্যোধন দাদাব পৰম ভক্ত। [ভাবি] নহয়, শকুনিকো লগে লগে আঁতৰাব লাগিব। নহলে হয়তো —

[ শকুনিৰ প্ৰৱেশ ]

শকুনি— আও, আজি মোৰ পৰম ভাগ্য ! দেখোন নাবায়ণৰ আগতে ওলালোহি। প্ৰণাম।

কৃষ্ণ— মামা, তোমাৰ কথাকে ভাবিছিলো।

শকুনি— কুৰুক্ষেত্ৰৰ ভাব এৰি মোৰ কথা ভাবিছিলানে, কুৰুক্ষেত্ৰৰ ভাবৰ মাজতে মোৰ কথা ভাবিছিলা ?

কৃষ্ণ— মাজতে।

শকুনি— তেনে আমাৰো চাউল উকলিল।

কৃষ্ণ— কিয় মামা ?

শকুনি—অতদিন ডাঙৰ ডাঙৰ গ্ৰহ-নক্ষত্ৰ গণনা কৰি আছিলা দেখিয়েই আমি চকুত নপৰিছিলো। এতিয়া সেইবোৰ শেষ কৰি যদুপতিয়ে যেতিয়া সৰুসুৰা তৰাৰ লেখত ধৰিলাহি, আমি পপীয়া তৰা, আমাক খহাবাই।

কৃষ্ণ— মামা, তুমি বৰ চতুৰ।

শকুনি—[হাতজোৰ কৰি]সকলোখিনি যদুপতিৰ পৰাই ধাৰ কৰা।

কৃষ্ণ— বাৰু মামা, এটা কথা সোধো, কবানে ?

শকুনি— অন্তৰ্য্যামী ভগবানে নকলেও জানিব।

কৃষ্ণ— বাৰু কোৱাছোন, তুমি এই কুৰুক্ষেত্ৰ ৰণত কাৰ পৰাজয় হ'লে ভাল পোৱা ?

শকুনি— পৰাজয় হ'বলৈ আৰু বাকী নাই। এতিয়া, ভাল পাইছোনে বেয়া পাইছো যদুপতিয়েই জানে।

কৃষ্ণ— মামা, কৌৰৱৰ আশ্ৰয়ত থাকি, দুৰ্য্যোধনৰ ইমান বিশ্বাস ভাজন হৈ, বিশ্বাসঘাতকী হ'লা কিয় ?

শকুনি— তাৰ উত্তৰো আজি নাৰায়নক দিব লাগিবনে ?

কৃষ্ণ— তুমি নিষ্ঠুৰ।

শকুনি— আৰু তুমি ?

কৃষ্ণ— মই মোৰ কৰ্ত্তব্য কৰিছো।

শকুনি— মোৰ কৰ্ত্তব্যৰ কোনখিনিত ত্ৰুটী হ'ল দয়াময় ?

কৃষ্ণ— 'ভাগিন ভাগিন' বুলি মুখৰ অমৃতেৰে ভুলাই অন্তৰৰ চিৰসঞ্চিত হলাহল বিহ খুউৱাতকৈ, সন্মুখ যুদ্ধত অসি ধাৰণ কৰি শত্ৰুতা আচৰণ কৰা, অনেক গুণে শ্ৰেয় মামা।

শকুনি—যদুপতি, ক্ৰোধান্ধ মানুহ মই। এই প্ৰতাৰণা, প্ৰৱঞ্চনা ক্ষমাৰ অযোগ্য বুলি জানো। কিন্তু, পূৰ্ণব্ৰহ্ম ভগবানৰ কপত নিদ্ৰাতকৈয়ো মোৰ এই আচৰণ বেচি দোষণীয়নে ?

কৃষ্ণ— ভুল বুজিছা মামা।

শকুনি— সদায় ভুল কৰি কৰি ভুলতেই অভ্যষ্ট হৈছোঁ ; এতিয়া আৰু শেহ বতৰত সেই ভুল নেভাগে নাৰায়ন।

কৃষ্ণ—তোমাৰ দোষতেই কৌৰৱ ধ্বংস হ'ল। স্বৰ্ণলঙ্কা ছাই কৰিছিলে ৰাজভ্ৰাতা বিভীষণে আৰু আজি স্বৰ্ণময় ভাৰতভূমি শ্মশান কৰিলা, ৰাজ-মাতুল তুমি শকুনিয়ে।

শকুনি— হে মাধৱ, মোৰ ধন্যবাদ গ্ৰহণ কৰা।

কৃষ্ণ— নুবুজিলো মামা।

শকুনি—অতি সহজ। পৰপদসেৱী শকুনিৰ, দুৰ্য্যোধনৰ অন্নেৰে পালিত দৰিদ্ৰ শকুনিৰ প্ৰৱঞ্চক প্ৰতাৰক ৰাজদ্ৰোহী শকুনিৰ মূৰৰ ওপৰত ভাৰত যুদ্ধৰ সকলো দোষ, সকলো কলঙ্ক পেলাই দি, অগতিৰ গতি ত্ৰিজগত পতি ভগৱান কৃষ্ণই যেতিয়া দোষৰ হাত সাৰিব পাৰিছে, সেই শকুনি সামান্য শকুনি নহয়! তাৰ জীৱন ধন্য, জনমো ধন্য আৰু সেই জীৱনৰ গৰাকী তুমি, তুমি যদুপতি। মোৰ ধন্যবাদ গ্ৰহণ কৰাঁ।

কৃষ্ণ—মামা, তোমাৰ উদ্দেশ্য আৰু মোৰ উদ্দেশ্য একে নহয়। তোমাৰ উদ্দেশ্য প্ৰতিশোধ, ধ্বংস; কিন্তু মোৰ, ~~সেই~~—

“যদা যদা হি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি (ভাৰত)।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম্॥
পৰিত্ৰাণায় সাধুনাম্ বিনাশায় চ দুষ্কৃতাম।
ধৰ্ম্মসংস্থাপনাৰ্থায় সম্ভাৱামি যুগে যুগে॥”

—পট—

## ৩য় দৃশ্য—পথ

[গীত গাই বৰাগীৰ প্ৰবেশ]

—গীত—

সৃষ্টি! সৃষ্টি! সৃষ্টি!
ছায়াৰ আকৃতি তাৰ
মায়া প্ৰকৃতি।
শুনি তাতে নিৰন্তৰ,
আৰাহনী অনন্তৰ,

মৰণ পথেদি কৰে
জীৱনে গতি ।
ইযে নিয়তী, ইযে নিয়তী ।

[ প্ৰস্থান ]

—পট—

৪ৰ্থ দৃশ্য যুদ্ধক্ষেত্ৰৰ একাল

[ শল্যৰ প্ৰবেশ ]

শল্য— ভাৰত যুদ্ধত যি কাম কোনেও সমাধা কৰিব নোৱাৰিলে, সেই কাম সমাধা কৰিব শল্যই । দ্ৰোণবধৰ দিনা শকুনিয়ে কোৱা কথা আজি মনত পৰিছে, "শল্য, তুমিয়েই দুৰ্য্যোধনৰ মান ৰক্ষা কৰিব লাগিব ।" আজি সেই অপূৰ্ব্ব সুযোগ সমাগত । দুৰ্য্যোধন, অযোগ্যজনক সেনাপতি পাতি, অতদিন শক্তি ক্ষয় কৰি যি ভুল কৰি আহিছা তাক আজি সহজে বুজিব পাৰিবা । মদ্ৰপতিক কুৰুক্ষেত্ৰৰ আদি সেনাপতি পতা হ'লে হস্তিনাপুৰত পতিহীনা অৱলাৰ, পিতৃহীনা পুত্ৰকন্যাৰ কৰুণ বিননি শুনিব নেলাগিলহেঁতেন ।

[ শকুনিৰ প্ৰবেশ ]

শকুনি—ইফালে দোঘোৰ যুদ্ধ লাগিছে, আৰু তুমি ইয়াত কৌৰৱৰ সেনাপতি হৈ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিছাহি ।

শল্য—মামা, শল্যই নিজৰ দায়িত্ব বুজে ।

শকুনি—শুনি সন্তোষ পালোঁ।

শল্য—ভীমাৰ্জ্জুন ক'ত।

শকুনি—যুদ্ধক্ষেত্ৰত ; কুৰুসেনা এফালৰ পৰা পিহি আনিছে।

শল্য—তুমি ইয়াত কিয় ?

শকুনি—তোমাক বিচাৰি।

শল্য—মোৰ কোনো আৱশ্যক নাই। যোৱা, যুদ্ধ কৰাঁ ; আমাৰ জয় অনিবাৰ্য্য। মই ইয়াতে ভীমাৰ্জ্জুনৰ কাৰণে অপেক্ষা কৰিম।

শকুনি—কিন্তু সেনাপতিক নেদেখি আমাৰ সৈন্য—

শল্য—তৰ্ক নেলাগে। কৌৰৱৰ সেনাপতি মই, মোৰ আদেশ, যুদ্ধ কৰাঁ।

শকুনি—যদি আদেশ পালন নকৰোঁ ?

শল্য—কুৰুপতিৰ মামা বুলি ক্ষমা নকৰোঁ। কুৰুক্ষেত্ৰত কাপুৰুষৰ স্থান নাই। যোৱাঁ, যুদ্ধ কৰাঁ।

শকুনি—শল্য, ভাৰত যুদ্ধ অৱসান হওঁহওঁ। ৰথী-মহাৰথী গ'ল, অক্ষৌহিণী অক্ষৌহিণী সেনা নিপাত হ'ল ; ভাৰতৰ অতুল প্ৰতাপী মহাৰাজ দুৰ্য্যোধন ভ্ৰাতৃহীন, শক্তিহীন হ'ল, অথচ, অথচ এই শকুনিক কোনেও উন্মাদগ্ৰস্ত অৱস্থাতো ৰঙাচকু দেখুৱাই আদেশ দিবলৈ সাহ নকৰিছিল। দুৰ্য্যোধনৰ মাতুল বুলি, কুৰুকুলৰ উপদেশক বুলি, ভাৰতে শকুনিলৈ ভয় কৰা নাই ; ভাৰতে শকুনিক ভয় কৰিছে, শকুনি বুলি। শুনা শল্য, যি কুৰুক্ষেত্ৰ ৰণৰ আজি তুমি চতুৰ্থ সেনাপতি

হৈ নিজে নিজে গৌৰৱ কৰি শকুনিৰ ওপৰতো প্ৰভুত্ব খটুৱাব খুজিছা, সেই কুৰুক্ষেত্ৰ ৰণ উদ্বোধন কৰিলে শকুনিয়ে, আৰু যৱনিকাও পেলাব এই শকুনিয়েই।

শল্য—তোমাৰ উদ্দেশ্য ?

শকুনি—মোৰ উদ্দেশ্য ? হাঃ হাঃ হাঃ শল্য, শল্য, মোৰ উদ্দেশ্য তুমি জানিব খুজিছা ? এশ মৃতদেহৰ স্তূপৰ মাজত মোৰ অট্টহাস্য শুনা নাছিলা ? পাশা খেলত পিতৃ অস্থি নিৰ্ম্মিত পাশতি দেখি বুজিব নোৱাৰিলা ? হাঃ হাঃ হাঃ মোৰ উদ্দেশ্য ? [ নেপথ্যলৈ চাই ] সৌৱা, সৌৱা, বায়ু বেগে যুধিষ্ঠিৰ লৰি আহিছে। শল্য, শল্য, কৌৰৱ সেনাপতি, পৰ পাৰত নিয়তিৰ ভেৰী বাজি উঠিল। তুমিও আগবাঢ়া, আগবাঢ়া। [ প্ৰস্থান ]

[ বিপৰীত ফালৰ পৰা যুধিষ্ঠিৰৰ প্ৰবেশ ]

যুধিষ্ঠিৰ—মদ্ৰপতি, আত্ম-সমৰ্পণ নে অসি চালনা।

শল্য—[ অসি উলিয়াই ] আগেয়ে নিজক ৰক্ষা কৰা।

যুধি—উত্তম।

(যুদ্ধ কৰি কৰি দুইৰো প্ৰস্থান ; বিপৰীত ফালৰ পৰা সহদেৱৰ প্ৰৱেশ)

সহদেৱ—ইয়াতো নাই ! ক'ত পলাল ? পৃথিবীৰ ইমূৰৰ পৰা সিমূৰলৈকে বিচাৰি হলেও, কুলাঙ্গাৰ গান্ধাৰ পুত্ৰ শকুনি, আজি তোক হত্যা কৰিম। [ প্ৰস্থান ]

[ বিপৰীত ফালৰ পৰা শকুনিৰ প্ৰবেশ ]

শকুনি—শল্য গ'ল ! সহদেৱে মোকো বিচাৰি ফুৰিছে। দুৰ্য্যোধন, বিদায়। যি শকুনিৰ নিৰান্নবৈটা ভ্ৰাতা আৰু

বৃদ্ধ পিতাক, অনাহাৰত অন্ধকাৰ কাৰাগাৰত তিল তিল-কৈ মাৰিছিলা, সেই শকুনিয়ে, তোমাৰো নিৰান্নবৈটা ভাতৃক কাল-চক্ৰত পেলাই অন্ধ বৃদ্ধ ধৃতৰাষ্ট্ৰৰ বুকুত এশ-খন চিতা জ্বলাই, তাৰ প্ৰতিজ্ঞা অক্ষৰে অক্ষৰে পালন কৰিলে। আজি মোৰো কৰ্ত্তব্য শেষ।

[ সহদেৱৰ প্ৰবেশ ]

সহদেৱ— কি? চক্‌খাই উঠিলা যে।

শকুনি— পূজা শেষ কৰি তোমাকেই অপেক্ষা কৰিছিলো সহদেৱ, ঠিক সময়তে আহিছা। আঁহা আজি এই পুণ্য কুৰুক্ষেত্ৰত কুৰুকুলৰ মন্ত্ৰণাদাতা, দুৰ্য্যোধনৰ মাতুল, ভাৰতৰ ধূমকেতু, মানৱ জন্মৰ প্ৰহেলিকা শকুনিৰ শেষ নিশ্বাসত ভাৰত যুদ্ধৰ সামৰণি পৰক। সেই বুলি আত্ম-সমৰ্পণ নকৰো। প্ৰতিহিংসাপৰায়ণ ক্ষত্ৰিয় মই। ময়ো অসি চালনা কৰিব জানো, লোৱা, অস্ত্ৰ লোৱা।

[দুয়ো যুদ্ধ কৰিবলৈ উদ্যত]

শকুনি— পিতা, পিতা, জন্মদাতা, শত্ৰু শোণিতেৰে ৰাঙলী মোৰ জীৱনৰ ৰঙা জবা পাহি আজি পুনৰ তোমাৰ পাদ-পদ্মত উৎসৰ্গা কৰিলো। দুৰ্য্যোধন, ধৃতৰাষ্ট্ৰ, গান্ধাৰী, হাঃ হাঃ হাঃ। সহদেৱ—

[যুদ্ধ। খন্তেক যুদ্ধৰ পাচত বৈ]

সহ—এয়ে শেষবাৰ! কৌৰৱৰ ভাগ্য বিধাতা, মৃত্যুৰ আগতে শিৰচ্ছেদ কৰাৰ আগতে সুশ্যামল ভাৰতভূমিক শেষবাৰৰ কাৰণে চাই ল।

শকুনি— সহদেৱ, ভাৰতভূমিক শকুনিয়ে সুশ্যামল কৰি ৰখা নাই, চিতাগ্নিত ছাই কৰিছো, কৌৰৱক কৌৰৱ কৰি থোৱা নাই, সিহঁতৰ গৌৰৱ ধুলিৰ লগত মিহলাই দিছো, আৰু, আৰু, কৌৰৱেশ্বৰ দুৰ্য্যোধনক ৰজা কৰি ৰখা নাই, পথৰ ভিক্ষাৰী কৰি, বুকু ভাঙি ভাঙি কান্দিবলৈ ভাৰতৰ শ্মশান ঘাতত এৰি দিছো।

[ আক্ৰমণ কৰিবলৈ উদ্যত ]

সহ— মিত্ৰদ্ৰোহী, জ্ঞাতিদ্ৰোহী, তাৰ পুৰস্কাৰ গ্ৰহণ কৰ।

শকুনি— যি শকুনিয়ে নিৰান্নবৈটা ৰাজভ্ৰাতাক মৃত্যুদণ্ড দিব পাৰে, সেই শকুনিয়ে মৃত্যু গ্ৰহণ কৰিবও জানে। আজি মোৰ মৃত্যু নহয় সহদেৱ মুক্তি, মুক্তি

[যুদ্ধ। অস্ত্ৰঘাটত শকুনি বাগৰি পৰে; সহদেৱে তৰোৱালৰ আগ শকুনিৰ বুকুত সুমাই—]

সহ— সৃষ্টিৰ কলঙ্ক, কালসৰ্প, নৰাধম শকুনি—

শকুনি— তৃপ্তি—তৃপ্তি—তৃপ্তি—।

—যৱনিকা—

D.H.S.K. College, Library
Accession No.
Dibrugarh

D H S K.
College.
Dibrugarh